# বিত্তমন্ত্ৰীৰ বাজেট ভাষণ ২০২৪-২৫

ওম সৰ্বেশাম স্বস্তিৰ্ভৱতু।
সৰ্বেশাম শান্তিৰ্ভৱতু
সৰ্বেশাম পূৰ্ণমভৱতু
সৰ্বেশাম মংগলমভৱতু।।

সকলোৰে কল্যাণ হওক। সকলোৰে বাবে শান্তি বিৰাজ কৰক। সকলোৰে পূৰ্ণতা লাভ কৰক। সকলোৰে জীৱন মংগলময় হওক।



১। মাননীয় অধ্যক্ষ মহোদয়,

বৃহদাৰণ্যক উপনিষদৰ এই জনকল্যাণ শান্তি মন্ত্ৰটি উপস্থাপন কৰি অসমৰ সমূহ জনগণৰ প্ৰতি শ্ৰদ্ধা আৰু প্ৰণিপাত জনাই মই এই পৱিত্ৰ সদনত ২০২৪-২৫ বৰ্ষৰ আয়-ব্যয়সম্বলিত বাৰ্ষিক বিত্তীয় বিৱৰণ উত্থাপন কৰিবলৈ আগবাঢ়িছো। এই জনকল্যাণ মন্ত্ৰৰ মাজত নিহিত হৈ আছে আজি উত্থাপন কৰিবলগীয়া বাজেটখনৰ সামগ্ৰিক দৰ্শনৰ সমস্ত সাৰ।

২। মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত মই উত্থাপন কৰা এইখন চতুৰ্থ বাজেট। সুশাসনৰ মহৎ উদ্দেশ্যক সাৰথি কৰি সবকা সাথ, সবকা বিকাশ, সবকা বিশ্বাস, সবকা প্ৰয়াস নীতিৰে এখন সমৃদ্ধিশালী, আত্মবিশ্বাসী আৰু আত্মনিৰ্ভৰ অসম গঢ়াৰ লক্ষ্য লৈ আমি আমাৰ যাত্ৰা আৰম্ভ কৰিছিলো।

৩। মই পৱিত্ৰ সদনক জনাবলৈ পাই অত্যন্ত আনন্দ আৰু গৌৰৱ অনুভৱ কৰিছো যে বহুমাত্ৰিক দৰিদ্ৰতা সূচাংক (Multi-Dimensional Poverty Index) সম্পৰ্কীয় নিটি আয়োগৰ প্ৰতিবেদন অনুসৰি যোৱা ৯ বছৰত অসমত ৮০.৩৬ লাখ জনসাধাৰণক দৰিদ্ৰতাৰ পৰা উত্তৰণ ঘটোৱা হৈছে। দৰিদ্ৰৰ সংখ্যাৰ হাৰ ২০১৩-১৪ বৰ্ষৰ ৩৬.৯৭ শতাংশৰ পৰা ২০২২-২৩ বৰ্ষত ১৪.৪৭ শতাংশলৈ ব্যাপক হাৰত হ্ৰাস পাইছে।

৪। এই ইতিবাচক বাৰ্তা উল্লেখেৰে ভাৰতৰ মাননীয় প্ৰধানমন্ত্ৰী শ্ৰীনৰেন্দ্ৰ মোদী ডাঙৰীয়াক ৭৫ সংখ্যক স্বাধীনতা দিৱসত দেশৰ জনসাধাৰণৰ চেতনালৈ 'অমৃত কাল'ৰ ধাৰণাটো সঞ্চাৰ কৰাৰ বাবে মই তেখেতক ধন্যবাদ জনাইছো। অমৃত কাল হৈছে— মোদী ডাঙৰীয়াৰ 'নতুন ভাৰত' গঢ়াৰ এক সপোন। মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াই দেশৰ ৭৫ সংখ্যক স্বাধীনতা দিৱসৰ পৰা স্বাধীনতাৰ শতবৰ্ষ পৰ্যন্ত ২৫ বছৰীয়া কালছোৱাক স্বাধীনতাৰ অমৃত কাল হিচাপে নামাংকিত কৰিছে।

৫। এই অমৃত কাল হৈছে ২০৪৭ বৰ্ষত ভাৰতবৰ্ষক এখন বিকশিত আৰু সমৃদ্ধ ৰাষ্ট্ৰত পৰিণত কৰাৰ প্ৰস্তুতি কাল। এই অমৃত স্বপ্ন হৈছে— আগন্তুক ২৫ বছৰত দেশৰ দ্ৰুত উন্নয়ন, উন্নত জীৱন-যাপন, প্ৰযুক্তিগত আৰু আন্তঃ গাঁথনিগত ভেটিৰ সবলীকৰণ আৰু ভাৰতীয় অৰ্থনীতিৰ প্ৰতি সমগ্ৰ বিশ্বৰ আস্থা পুনৰ প্ৰতিষ্ঠিত কৰাৰ জৰিয়তে ভাৰতীয় অৰ্থনীতিৰ সকলো খণ্ডৰ পুনৰউজ্জীৱিতকৰণ। এখন সমৃদ্ধিশালী অসম গঢ়াৰ প্ৰতি দেখুওৱা অফুৰন্ত সহযোগিতাৰ বাবে মই মাননীয় প্ৰধানমন্ত্ৰী শ্ৰীনৰেন্দ্ৰ মোদী ডাঙৰীয়ালৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো।

৬। এক শান্তিপূৰ্ণ পৰিৱেশ আৰু শক্তিশালী অৰ্থনৈতিক ভেটিয়ে এখন ৰাজ্যক বিকাশৰ দিশে আগুৱাই লৈ যোৱাৰ ক্ষেত্ৰত অনুঘটকৰ ভূমিকা পালন কৰে। এই শান্তিপূৰ্ণ বাতাৱৰণ দীৰ্ঘস্থায়ী কৰাৰ ক্ষেত্ৰত মাননীয় কেন্দ্ৰীয় গৃহমন্ত্ৰী শ্ৰীঅমিত শ্বাহ ডাঙৰীয়াই আগবঢ়োৱা অকুণ্ঠ সহায়-সহযোগিতাৰ বাবে মই তেখেতক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো।

৭। আমাৰ ৰাজ্যখনক অৰ্থনৈতিকভাৱে আগুৱাই নিয়াৰ ক্ষেত্ৰত আগবঢ়োৱা নিৰন্তৰ সহায়-সহযোগিতাৰ বাবে মই কেন্দ্ৰীয় বিত্তমন্ত্ৰী শ্ৰীমতী নিৰ্মলা সীতাৰমণ ডাঙৰীয়ানীৰো আন্তৰিক শলাগ লৈছো।

৮। মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত আমাৰ চৰকাৰে ৰাজ্যখনৰ সৰ্বাংগীণ বিকাশৰ বাবে শক্তিশালী পদক্ষেপ লৈছে। ইয়াৰ বাবে অসমবাসীৰ সাংস্কৃতিক, ৰাজনৈতিক, সামাজিক সুৰক্ষা নিশ্চিত কৰাৰ লগে লগে বিভিন্ন উন্নয়নমূলক কাৰ্যসূচী, কল্যাণকামী পদক্ষেপ আৰু বিশেষভাৱে অপৰাধ নিয়ন্ত্ৰণৰ ক্ষেত্ৰত আমাৰ চৰকাৰে কঠোৰ পদক্ষেপ গ্ৰহণ কৰিছে।

৯। দেশৰ প্ৰথম পাঁচখন ৰাজ্যৰ তালিকাত অসমৰ স্থান নিশ্চিত কৰাৰ লক্ষ্য বুকুত বান্ধি মুখ্যমন্ত্ৰী ডাঙৰীয়াই ঘোষণা কৰিছে যে অসমৰ প্ৰতিগৰাকী নাগৰিকৰ উত্তৰণ নোহোৱালৈকে আমি আমাৰ এই বিকাশৰ যাত্ৰা অব্যাহত ৰাখিম।

১০। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই বিৰামহীন গতিৰে ৰাজ্যখনক উজ্জীৱিত কৰিবলৈ সৰ্বতোপ্ৰকাৰে যি প্ৰচেষ্টা গ্ৰহণ কৰিছে— সেই প্ৰচেষ্টাৰ বাবে তেখেতক আন্তৰিক শুভকামনা আৰু ধন্যবাদ জ্ঞাপন কৰিছো।

১১। যোৱা প্ৰায় তিনি বছৰত ৰাজ্য প্ৰশাসনৰ যি অভিজ্ঞতা আৰু অনুভৱ আমি সঞ্চয় কৰিলো, সেই অভিজ্ঞতা আছিল অত্যন্ত প্ৰেৰণাদায়ক। এই অভিজ্ঞতাসমূহে ৰাজ্যখনৰ সামগ্ৰিক বিকাশ আৰু প্ৰগতিৰ অৰ্থে অধিক আত্মবিশ্বাসেৰে আগুৱাই যোৱাৰ বাবে আমাক সাহস যোগাইছে।

১২। আমি দেখিছো যে জন অংশীদাৰিত্বৰে সমৃদ্ধ আৰু অধিক শক্তিমান হৈ অসম চৰকাৰ আৰু ৰাজ্যখনৰ জনসাধাৰণ আজি তীব্ৰ গতিৰে বিকাশৰ দিশে ধাৱমান হৈছে। সমাজৰ প্ৰতিটো স্তৰৰ এনে সৰ্বাত্মক জন অংশীদাৰিত্বই হৈছে আমাৰ চৰকাৰৰ কাম কৰাৰ অফুৰন্ত প্ৰেৰণাৰ উৎস।

১৩। অসমৰ বিকাশৰ এই যাত্ৰাত আমাৰ চৰকাৰৰ মূলমন্ত্ৰ হৈছে— আত্মনিৰ্ভৰ অসম। বিগত সময়ৰ বিভিন্ন সফলতা আৰু প্ৰাপ্তিৰ আধাৰত আমি এখন আত্মনিৰ্ভৰ অসমৰ বুনিয়াদ গঢ়াৰ প্ৰেৰণা লাভ কৰিছো। এনে এক প্ৰেৰণাৰ দলিল হৈছে আজি মই উত্থাপন কৰা এই বাজেটখন। এই বাজেটত আপোনালোকে এখন আত্মবিশ্বাসী আৰু আত্মনিৰ্ভৰ অসমৰ প্ৰত্যাশা দেখা পাব। এই প্ৰতিচ্ছবি আৰু প্ৰত্যাশা লৈ মই বাজেটখনৰ গভীৰলৈ প্ৰৱেশ কৰিব বিচাৰিছো।

## ৰাইজৰ আস্থাৰ তিনি বছৰ

১৪। মাননীয় অধ্যক্ষ মহোদয়, অসমৰ বিকাশ আৰু প্ৰগতিৰ সকলো গুৰুত্বপূৰ্ণ দিশতে বিগত তিনি বছৰৰ সময়ছোৱাত ৰাজ্যখনত উল্লেখযোগ্য অগ্ৰগতি পৰিলক্ষিত হৈছে। শান্তি, উদ্ভাৱনীমূলক শাসন ব্যৱস্থা, মূল আন্তঃগাঁথনিগত উন্নয়ন, সামাজিক আন্তঃগাঁথনি তথা সবলীকৰণ আৰু সাংস্কৃতিক নৱজাগৰণৰ ক্ষেত্ৰত ৰাজ্যখনে নতুন মাত্ৰা লাভ কৰিছে। এইক্ষেত্ৰত যোৱা ৫ ফেব্ৰুৱাৰী, ২০২৪ তাৰিখে অসমৰ মাননীয় ৰাজ্যপাল মহোদয়ে এই পৱিত্ৰ সদনত প্ৰদান কৰা ভাষণত আমাৰ চৰকাৰৰ গুৰুত্বপূৰ্ণ উন্নয়নমূলক আঁচনিসমূহৰ সফলতা আৰু অগ্ৰগতি সম্পৰ্কে উল্লেখ কৰিছে।

## অৰ্থনৈতিক দৃষ্টিভংগী

১৫। ২০২০ বৰ্ষৰ ক'ভিড-১৯ মহামাৰীৰ নেতিবাচক প্ৰভাৱ সত্ত্বেও পৰৱৰ্তী সময়ত ভাৰতৰ অৰ্থনীতিয়ে ক্ৰমান্বয়ে বিকাশৰ দিশত আগবাঢ়িছে আৰু ২০২৩ বৰ্ষত দেশৰ অৰ্থনীতিয়ে মুঠ ঘৰুৱা উৎপাদন ৩.৭ ত্ৰিলিয়ন আমেৰিকান ডলাৰৰ সীমা স্পৰ্শ কৰিছে। আমি গৌৰৱ অনুভৱ কৰিছো যে ভাৰতবৰ্ষ এতিয়া বিশ্বৰ পঞ্চম বৃহত্তম অৰ্থনীতিৰ দেশ হিচাপে পৰিগণিত হৈছে। বৰ্তমানৰ বিকাশৰ হাৰেৰে দেশৰ অৰ্থনীতিয়ে ২০২৭ চনৰ ভিতৰত ৫ ত্ৰিলিয়ন আমেৰিকান ডলাৰৰ সীমা স্পৰ্শ কৰিব বুলি আশা কৰা হৈছে।

১৬। বিশ্বৰ পাঁচখন বৃহত্তম অৰ্থনীতিৰ দেশৰ ভিতৰত ভাৰতে চলিত মূল্যত মুঠ ঘৰুৱা উৎপাদনৰ ক্ষেত্ৰত সৰ্ব্বোচ্চ প্ৰক্ষেপিত বৃদ্ধিৰ হাৰ বহন কৰিছে। অৱশ্যে World Economic Outlook (October, 2023) অনুসৰি গোলকীয় বিকাশৰ হাৰ ২০২৩ বৰ্ষৰ ৩ শতাংশৰ পৰা ২০২৪ বৰ্ষত ২.৯ শতাংশলৈ নিম্নগামী হোৱাৰ সম্ভাৱনা আছে।

১৭। প্ৰক্ষেপিত প্ৰাক্কলন অনুসৰি ২০২৪-২৫ বৰ্ষত ৰাজ্যৰ মুঠ ঘৰুৱা উৎপাদন চলিত মূল্যত ৬.৪৩ লাখ কোটি টকা হ'ব বুলি আশা কৰা হৈছে। ই হৈছে ২০১৬-১৭ বৰ্ষৰ মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদন ২.৫৪ লাখ কোটি টকাৰ তুলনাত ১৫০ শতাংশতকৈ অধিক বৃদ্ধি।

১৮। আগতীয়া প্ৰাক্কলন অনুসৰি অসমৰ মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদন চলিত মূল্যত ২০২২-২৩ (QE) বৰ্ষৰ ৪.৯৩ লাখ কোটি টকাৰ বিপৰীতে ১৫.৬ শতাংশ বিকাশৰ হাৰেৰে ২০২৩-২৪ (AE) বৰ্ষত ৫.৭০ লাখ কোটি টকা হোৱাৰ সম্ভাৱনা আছে। অসমৰ প্ৰকৃত মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদন স্থিৰ মূল্যত ২০২২-২৩ (QE) বৰ্ষৰ ৩.০১ লাখ কোটি টকাৰ বিপৰীতে ৫.৯ শতাংশ বিকাশৰ হাৰেৰে ২০২৩-২৪ বৰ্ষত ৩.১৯ লাখ কোটি টকা হোৱাৰ সম্ভাৱনা আছে।

১৯। অধ্যক্ষ মহোদয়, এইটো আমাৰ বাবে অতি উৎসাহজনক কথা যে অসমে ৰাষ্ট্ৰীয় বিকাশতকৈ দ্ৰুততাৰে বিকাশ লাভ কৰি আছে। অসমৰ অৰ্থনৈতিক বিকাশৰ হাৰ ৰাষ্ট্ৰীয় পৰ্যায়ৰ ১৬.১ শতাংশৰ তুলনাত ২০২২-২৩ (QE) বৰ্ষত ১৯.৯ শতাংশ হ'ব বুলি অনুমান কৰা হৈছে।

২০। লগতে মই এই পৱিত্ৰ সদনক জনাবলৈ পাই সুখী হৈছো যে ৰাষ্ট্ৰীয় অৰ্থনীতিলৈ ৰাজ্যখনৰ অৰ্থনীতিৰ বৰঙণিৰ পৰিমাণো বৃদ্ধি পাই আছে। অসমৰ মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদনৰ বৰঙণি চলিত মূল্যত ২০১৬-১৭ বিত্তীয় বৰ্ষৰ ১.৬৫ শতাংশৰ পৰা ২০২২-২৩ (QE) বিত্তীয় বৰ্ষত ১.৮১ শতাংশলৈ বৃদ্ধি পাইছে। উল্লেখিত সময়ছোৱাত স্থিৰ মূল্য (২০১১-১২)তো ৰাষ্ট্ৰীয় মুঠ ঘৰুৱা উৎপাদনলৈ মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদনৰ বৰঙণি ১.৬৪ শতাংশৰ পৰা ১.৮৭ শতাংশলৈ বৃদ্ধি পাইছে।

২১। একেদৰে, ৰাজ্যখনে ইয়াৰ জনমূৰি আয়ৰ ক্ষেত্ৰত দ্ৰুততাৰে বিকাশ লাভ কৰি আছে আৰু ই ২০২৩-২৪ বৰ্ষত বিগত ৭ বছৰৰ ভিতৰত প্ৰায় দুগুণতকৈ অধিক হৈছে। ৰাজ্যখনৰ জনমূৰি আয় চলিত মূল্যত ২০১৬-১৭ বৰ্ষৰ ৬৬,৩৩০ টকাৰ তুলনাত ২০২২-২৩ বিত্তীয় বৰ্ষত ১,২০,৩৩৬ টকা হৈছে। ২০২৩-২৪ বৰ্ষত ৰাজ্যখনৰ জনমূৰি আয় ১,৩৫,৭৮৭ টকা হ'ব বুলি অনুমান কৰা হৈছে।

মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদনৰ প্ৰাক্কলন আৰু জনমূৰি আয়ৰ সংক্ষিপ্ত বিৱৰণ—

| বিত্তীয় বৰ্ষ | মুঠ ৰাজ্যিক ঘৰুৱা উৎপাদন (চলিত মূল্যত) | জনমূৰি আয় |
|---|---|---|
| ২০১৬-১৭ | ২.৫৪ লাখ কোটি টকা | ৬৬,৩৩০ টকা |
| ২০২২-২৩ (QE) | ৪.৯৩ লাখ কোটি টকা | ১,২০,৩৩৬ টকা |
| ২০২৩-২৪ (AE) | ৫.৭০ লাখ কোটি টকা | ১,৩৫,৭৮৭ টকা |
| ২০২৪-২৫ | ৬.৪৩ লাখ কোটি টকা | পৰৱৰ্তী বৰ্ষৰ বাবে উপলব্ধ প্ৰাক্কলন |

## বিত্তীয় সামৰ্থ্য বৃদ্ধি

২২। মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যখনৰ বাজেট ব্যয় ২০১৫-১৬ বিত্তীয় বৰ্ষৰ ৪১,৯৩১ কোটি টকাৰ বিপৰীতে ২০২২-২৩ বিত্তীয় বৰ্ষত ১,২৭,২৮৩ কোটি টকালৈ বৃদ্ধি পাইছে। লক্ষণীয়ভাৱে ৰাজ্যখনৰ মূলধনী ব্যয় ২০১৫-১৬ বিত্তীয় বৰ্ষৰ ২৯৫১ কোটি টকাৰ পৰা ২০২২-২৩ বিত্তীয় বৰ্ষত ১৬,৩৩৮ কোটি টকালৈ বৃদ্ধি পাইছে।

২৩। অসমে নিৰ্দ্দিষ্ট মূলধনী প্ৰকল্পসমূহৰ বাবে গ্ৰাম্য আন্তঃগাঁথনি উন্নয়ন পুঁজি আৰু বহিঃসাহায্যপ্ৰাপ্ত প্ৰকল্পসমূহৰ পুঁজি সফলতাৰে সদ্ব্যৱহাৰ কৰিছে। বিগত পাঁচ বছৰত গ্ৰাম্য আন্তঃগাঁথনি উন্নয়ন পুঁজি (আৰ আই ডি এফ) আৰু বহিঃসাহায্যপ্ৰাপ্ত প্ৰকল্প (ই এ পি)ৰ অধীনত মূলধনী ব্যয়ৰ বাবে আহৰণ কৰা পুঁজিৰ ক্ষেত্ৰত যথাক্ৰমে ১৭৭ শতাংশ আৰু ৪৩৭ শতাংশ বৃদ্ধি পৰিলক্ষিত হৈছে। গ্ৰাফৰ সহায়ত এই কথাখিনি তলত দেখুওৱা হ'ল।










২৪। বৰ্তমান ৰাজ্যখনত ৩৭,৭০০ কোটি টকাৰ প্ৰকল্প ব্যয় সাপেক্ষ ১৮টা প্ৰকল্পৰ কাম চলি আছে আৰু ২০,৩৬৪ কোটি টকা প্ৰকল্প ব্যয় সাপেক্ষ ৮ টা বহিঃসাহায্যপ্ৰাপ্ত প্ৰকল্পৰ কাম হাতত লোৱা হৈছে। ৫৮,০৬৪ কোটি টকা ব্যয় সাপেক্ষ প্ৰকল্পসমূহৰ সৈতে বহিঃসাহায্যপ্ৰাপ্ত প্ৰকল্পসমূহৰ দ্বাৰা লাভান্বিত হোৱা ৰাজ্যসমূহৰ ভিতৰত অসম এক অন্যতম ৰাজ্য। এই প্ৰকল্পসমূহৰ তালিকাখন পৰিশিষ্ট-ক আৰু খ-ত আছে।

২৫। আমাৰ সামৰ্থ্য বৃদ্ধি আৰু বিভিন্ন পৰ্যায়ত সু-সমন্বয় সাধনৰ বাবে বিগত চাৰি বছৰত মূলধনী বিনিয়োগ আঁচনিৰ বাবে ৰাজ্যসমূহলৈ আগবঢ়োৱা বিশেষ সাহায্য (এছ এ এছ চি আই) আৰু ভাৰত চৰকাৰৰ পৰা লাভ কৰা ৫০ বছৰৰ সুতবিহীন ঋণৰ দ্বাৰা অসম চৰকাৰ যথেষ্ট উপকৃত হৈছে। বিগত ৪ বছৰত এই আঁচনিৰ অধীনত অসমলৈ মুকলি কৰি দিয়া পুঁজিৰ পৰিমাণ ১০ গুণতকৈ অধিক বৃদ্ধি পাইছে।

| বৰ্ষ | এছ এ এছ চি আইৰ অধীনত লাভ কৰা ধন (কোটি টকাত) |
|---|---|
| ২০২০-২১ | ৪৫০ |
| ২০২১-২২ | ৬০০ |
| ২০২২-২৩ | ৪,৩০০ |
| ২০২৩-২৪ (০৮-০২-২৪ পৰ্যন্ত) | ৪,৬৫৬ |
| মুঠ | ১০,০০৬ |

২৬। লোক নিৰ্মাণ বিভাগৰ বাজেটৰ অধীনত শিক্ষা, নিৰ্মাণ, স্বাস্থ্য, গৃহ বিভাগ আৰু পথৰ বাবে গোলকীয় শিতান (Global Head) গঠনৰ পৰিপ্ৰেক্ষিতত অসমত মূলধনী ব্যয়ৰ ক্ষেত্ৰত অভূতপূৰ্ব বৃদ্ধি পৰিলক্ষিত হৈছে। এই ব্যৱস্থাই প্ৰকল্পসমূহৰ বাবে পৰ্যাপ্ত বাজেটৰ উপলব্ধতা আৰু পুঁজিৰ আগতীয়া অনুমোদন/মুকলি কৰি দিয়াটো সুনিশ্চিত কৰিছে। ইয়াৰ সৈতে নতুন বিত্তীয় গাঁথনি - ৰাজ্যৰ স্ব-অগ্ৰাধিকাৰপ্ৰাপ্ত উন্নয়নমূলক আঁচনি (SOPD) সমূহৰ বাবে সন্মতি প্ৰদান কৰিবলৈ অতিৰিক্ত মুখ্য সচিব পৰ্যায়ৰ বিষয়াৰ অধীনত সমিতি গঠন, প্ৰশাসনীয় বিভাগ আৰু সঞ্চালকালয়সমূহলৈ অধিক বিত্তীয় ক্ষমতা প্ৰদানে বাজেটত ধাৰ্য কৰা সামগ্ৰিক ধন ব্যৱহাৰৰ ক্ষেত্ৰত বৃহৎ অৰিহণা যোগাইছে।

২৭। ইয়াৰ লগতে ক্ৰয় সংস্কাৰসমূহে চৰকাৰী ব্যয়ৰ মান উন্নত কৰিছে। ই-ক্ৰয় ব্যৱস্থাৰ অধীনত প্ৰকাশিত নিবিদাৰ মূল্য ২০১৭-১৮ বিত্তীয় বৰ্ষৰ ৯১০০ কোটি টকাৰ পৰা ২০২২-২৩ বিত্তীয় বৰ্ষত ৪১,৮০০ কোটি টকালৈ বৃদ্ধি পাইছে। চৰকাৰী ই-মাৰ্কেট ব্যৱস্থাৰে হোৱা ক্ৰয় ২০২০-২১ বিত্তীয় বৰ্ষৰ ১৭৬ কোটি টকাৰ পৰা ২০২৩-২৪ বিত্তীয় বৰ্ষত (জানুৱাৰীলৈ) ১৫৩২ কোটি টকাতকৈ অধিক বৃদ্ধি পাইছে।

২৮। আন এক উল্লেখযোগ্য সাফল্য হৈছে প্ৰত্যক্ষ লাভালাভ হস্তান্তৰ আঁচনি ব্যৱস্থাৰ বাবে ডিজিটেল আন্তঃগাঁথনিৰ প্ৰৱৰ্তন। প্ৰত্যক্ষ লাভালাভ হস্তান্তৰ আঁচনি হৈছে এক উচ্চমানৰ ডিজিটেল মঞ্চ, যাক 'প্লাগ এণ্ড প্লে' ধৰণত এই আঁচনিসমূহ ৰূপায়ণ কৰিবলৈ তৈয়াৰ কৰা হৈছে। আজি যিকোনো বিভাগে প্ৰত্যক্ষ লাভালাভ হস্তান্তৰ আঁচনিসমূহ সহজে আৰম্ভ কৰি ৰূপায়ণ কৰিব পাৰে, যাৰ ফলত এই আঁচনিসমূহৰ প্ৰশাসনিক ব্যয় বহু পৰিমাণে হ্ৰাস পাব আৰু এই আঁচনিসমূহৰ সম্পূৰ্ণ ডিজিটেলকৰণ সুনিশ্চিত হ'ব। অৰুণোদয় আঁচনিখন এই ডিজিটেল মঞ্চৰ অধীনলৈ অনাৰ পিছত ১,৬৫,০০০ গৰাকী ভুৱা হিতাধিকাৰীৰ নাম কৰ্তন কৰা হৈছে আৰু ইয়াৰ ফলত পৰীক্ষণৰ সময় তথা সাহায্য প্ৰদানৰ সময় বহুলাংশে হ্ৰাস পাইছে।

২৯। এই বৰ্ষতো আমি এখন বাস্তৱসন্মত বাজেট প্ৰস্তুত কৰাৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছো, যিখন বাজেটে এহাতে ৰাজ্যৰ নাগৰিকসকলৰ প্ৰকৃত আশা-আকাংক্ষা পূৰণ কৰিব পাৰে আৰু আনহাতে মুদ্ৰাস্ফীতি এৰাই চলিব পাৰে। সকলো বিভাগে যাতে বাজেটত আবণ্টিত ধন সম্পূৰ্ণৰূপে ব্যৱহাৰ কৰিব পাৰে সেয়া হৈছে আমাৰ প্ৰয়াস। এই বাস্তৱসন্মত বাজেটখনৰ আন এক বৈশিষ্ট্য হ'ল অনাগত বছৰসমূহত কিছুসংখ্যক সংস্কাৰমূলক ব্যৱস্থাৰ জৰিয়তে ৰাজ্যৰ নিজা উৎসৰ পৰা লাভ কৰা ৰাজহৰ পৰিমাণ বৃদ্ধিত অধিক গুৰুত্ব প্ৰদান কৰা।

৩০। এই ইতিবাচক অৰ্থনৈতিক দৃষ্টিভংগীৰে বৰ্তমানে চলি থকা ধ্বজাবাহী আঁচনিসমূহৰ একত্ৰীকৰণ আৰু উন্নীতকৰণৰ উপৰি বৰ্তমানৰ বাজেটত অষ্টাদশ মুকুতাৰ উন্নয়নী মালাৰ অধীনত কিছুমান নতুন উদ্ভাৱনীমূলক ধ্বজ্জাবাহী আঁচনি ঘোষণা কৰিবলৈ পাই মই আনন্দিত হৈছো।

## ধ্বজ্জাবাহী আঁচনিসমূহ

৩১। মাননীয় অধ্যক্ষ মহোদয়, ভাগৱত গীতাৰ ১৮ টা অধ্যায়ৰ দ্বাৰা অনুপ্ৰাণিত হৈ ২০১৭-১৮ বৰ্ষত তেতিয়াৰ মাননীয় বিত্তমন্ত্ৰী আৰু বৰ্তমান আমাৰ শ্ৰদ্ধাৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই "অষ্টাদশ মুকুতাৰ উন্নয়নী মালা"ৰ ধাৰণাটো উদ্ভাৱন কৰিছিল। এই ১৮ খন আঁচনি স্বাভাৱিকতেই গতিশীল। আমাৰ সমাজৰ পৰিৱৰ্তিত আৱশ্যকতা অনুসৰি কেতবোৰ সম্পূৰ্ণৰূপে নতুন তথা উদ্ভাৱনীমূলক আৰু আন কেতবোৰ আঁচনি উন্নীত কৰি সন্নিৱিষ্ট কৰা হৈছে।

### I. মুখ্যমন্ত্ৰী নিযুত মইনা (MMNM)

- ১০ লাখ ছাত্ৰীক (এক নিযুত-নিযুত মইনা) নামভৰ্তিৰ ক্ষেত্ৰত উদগনি হিচাপে বিত্তীয় অনুদান আগবঢ়োৱা হ'ব যাতে তেওঁলোকে উচ্চতৰ মাধ্যমিক, স্নাতক আৰু স্নাতোকোত্তৰ পৰ্যায়লৈকে অধ্যয়ন অব্যাহত ৰাখিব পাৰে।
- এই পদক্ষেপে বাল্য বিবাহ ৰোধ কৰাৰ ক্ষেত্ৰত চৰকাৰে গ্ৰহণ কৰা অভিযানক সবল কৰি তুলিব। শাস্তিমূলক আৰু নিয়ন্ত্ৰণমূলক ব্যৱস্থা গ্ৰহণ কৰাৰ উপৰি এগৰাকী কন্যাই কেতিয়া বিয়াত বহিব সেইটো সিদ্ধান্ত ল'বলৈ তেওঁক আমি সক্ষম কৰি তুলিব লাগিব।
- যদি দহ লাখ কন্যাক স্নাতক আৰু স্নাতকোত্তৰ শ্ৰেণীলৈ অধ্যয়ন কৰিবলৈ উৎসাহ যোগাব পৰা যায়, তেতিয়া প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পিছত শিক্ষা লাভ কৰা শিক্ষিত যুৱক-যুৱতীৰ হাৰ বৃদ্ধি কৰিব পৰা যাব।
- যিকোনো চৰকাৰী মহাবিদ্যালয়/শিক্ষানুষ্ঠানত অধ্যয়ন কৰা ছাত্ৰীসকলে এই সুবিধা লাভ কৰাৰ বাবে যোগ্য বিবেচিত হ'ব। দ্বিতীয়তে, বিবাহ পাশত আবদ্ধ হোৱা ছোৱালী এই সুবিধাৰ বাবে যোগ্য বিবেচিত নহ'ব।
- একাদশ শ্ৰেণীত নামভৰ্তি কৰা প্ৰতিগৰাকী ছাত্ৰীলৈ ১০,০০০ টকা নামভৰ্তিৰ উদগনিমূলক ধন হিচাপে প্ৰদান কৰা হ'ব।
- একেদৰে স্নাতক পাঠ্যক্ৰমৰ প্ৰথম বৰ্ষত নামভৰ্তি কৰা ছাত্ৰীসকললৈ গাইপতি ১২,৫০০ টকাকৈ প্ৰদান কৰা হ'ব।
- স্নাতকোত্তৰ পাঠ্যক্ৰমৰ প্ৰথম বৰ্ষত নামভৰ্তি কৰা প্ৰতিগৰাকী ছাত্ৰীয়ে ১৫,০০০ টকা নামভৰ্তিৰ উদগনিমূলক ধন হিচাবে লাভ কৰিব।
- নিয়ম অনুসৰি বিনামূলীয়া নামভৰ্তি, স্কুটী প্ৰদান ইত্যাদিৰ লেখীয়া বৰ্তমানে প্ৰদান কৰি থকা সুবিধাসমূহৰ ওপৰঞ্চি হিচাপে এই সুবিধা প্ৰদান কৰা হ'ব।
- মই বাজেটত এই আঁচনিৰ বাবে ২৪০ কোটি টকা ধাৰ্য কৰাৰ প্ৰস্তাৱ লৈছো।

### II. মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযান

- মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযান হৈছে এক অভিলাষী অভিযান, যাৰ লক্ষ্য হৈছে আমাৰ মহিলাসকলক উদ্যোগী হিচাপে গঢ়ি তোলা।
- এই অভিযান দুটাৰ উদ্দেশ্য হ'ল— অমৃত কালত আমাৰ মহিলা উদ্যোগীসকলৰ আয় বৃদ্ধি কৰা আৰু তেওঁলোকক ব্যৱসায়িকভাৱে সফল কৰা।
- সমগ্ৰ ৰাজ্যখনতে কেতবোৰ চৰ্ত সাপেক্ষে আমি গ্ৰামাঞ্চলৰ আত্ম-সহায়ক গোটসমূহৰ ৩৯,৬৭,৭৪৩ গৰাকী মহিলা সদস্যলৈ গাইপতি ১০,০০০ টকাকৈ উদ্যমিতা পুঁজি হিচাপে প্ৰদান কৰিম।
- তেওঁলোকে এই সুবিধা লাভ কৰাৰ পিছত আমি এনে প্ৰতিগৰাকী হিতাধিকাৰীৰ বাবে ন্যূনতম ২৫,০০০ টকাকৈ বেংক ঋণ আগবঢ়াবলৈ প্ৰতিশ্ৰুতিবদ্ধ। তদুপৰি, এই ঋণৰ ধন তেওঁলোকে সদব্যৱহাৰ কৰি সময়মতে পৰিশোধ কৰিলে এনে প্ৰতিগৰাকী হিতাধিকাৰীলৈ ১২,৫০০ টকাৰ মূলধনী ৰাজসাহায্য প্ৰদান কৰা হ'ব।
- এইদৰে প্ৰতিগৰাকী হিতাধিকাৰীয়ে অনুদান, ৰাজাসাহায্য আৰু ঋণ হিচাপে ন্যূনতম ৪৭,৫০০ টকা লাভ কৰিব।
- আত্মসহায়ক গোটৰ সদস্যসকললৈ আবেদন প্ৰ-পত্ৰ বিতৰণৰ কাম ইতিমধ্যে আৰম্ভ হৈছে।
- মই এই কথা জনাবলৈ পাই সুখী হৈছো যে আমি নগৰ অঞ্চলতো "মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযান-নগৰীয়া" নামেৰে এই আঁচনিখনৰ ৰূপায়ণ কৰিব বিচাৰিছো। এই আঁচনিখনে আত্মসহায়ক গোটৰ প্ৰায় ২.৫ লাখ সদস্যক সামৰি ল'ব।
- মই এই আঁচনিৰ সফল ৰূপায়ণৰ বাবে পৰ্যাপ্ত পুঁজি আবণ্টনৰ প্ৰস্তাৱ দিছো।

### III. অৰুণোদয়-২.০ ঃ পৰিসৰ বৃদ্ধিৰে অধিক জনসাধাৰণক সামৰি লোৱা

- বিগত বৰ্ষৰ সংকল্পৰ লগত সংগতি ৰাখি সমগ্ৰ ৰাজ্যজুৰি অৰুণোদয়-২.০ আৰম্ভ কৰা হৈছে। এই আঁচনিৰ অধীনত ৰাজ্যখনৰ অন্ত্যোদয়া মহিলাসকলৰ উপৰি তৃতীয় লিংগৰ ব্যক্তি আৰু দিব্যাংগজনে লাভালাভ পোৱাটো নিশ্চিত কৰা হৈছে।
- আজি অৰুণোদয় আঁচনিখনে বাওনা সদস্য থকা পৰিয়ালসমূহক সামৰি লোৱাৰ উপৰি চেৰিব্ৰেল পালচি, থেলাচেমিয়া, হেম'ফিলিয়া, কুষ্ঠ বা অ'টিজিম স্পেকট্ৰাম ডিজঅৰ্ডাৰত ভুগি থকা সদস্যৰ পৰিয়ালসমূহকো সামৰি লৈছে।
- আজি ২৭ লাখৰো অধিক হিতাধিকাৰী সামৰি আঁচনিখনৰ পৰিসৰ বৃদ্ধি কৰা হৈছে। হিতাধিকাৰীসকলে প্ৰতি মাহৰ ১০ তাৰিখে ১,২৫০ টকাকৈ নিজৰ বেংক একাউণ্টত প্ৰত্যক্ষভাৱে লাভ কৰি আছে।
- অধ্যক্ষ মহোদয়, আজি মই এই কথা জনাবলৈ পাই সুখী হৈছো যে এই আঁচনিৰ অধীনত এই বৰ্ষত আমাৰ চৰকাৰে ২.৫ লাখ অতিৰিক্ত হিতাধিকাৰীক সামৰি লোৱাৰ সিদ্ধান্ত লৈছে। ইয়াৰ ফলত ৰাজ্যখনৰ সৰ্বমুঠ ৩০ লাখৰো অধিক পৰিয়াল অৰুণোদয় আঁচনিৰ জৰিয়তে লাভান্বিত হ'ব।
- তদুপৰি, চৰাইদেউ আৰু বিশ্বনাথ জিলাত পাইলট ভিত্তিত অৰুণোদয়ৰ সৈতে ৰেচন কাৰ্ড সংলগ্নকৰণৰ দ্বাৰা ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ সকলো হিতাধিকাৰী পৰিয়ালকে অৰুণোদয় আঁচনিৰ আওতালৈ অনাৰ দিশত প্ৰয়াস চলাম।
- অভাৱগ্ৰস্তসকলৰ জীৱনযাত্ৰা অধিক সুচল কৰাৰ বাবে চৰকাৰে প্ৰধানমন্ত্ৰী জীৱন জ্যোতি বীমা যোজনা আৰু প্ৰধানমন্ত্ৰী সুৰক্ষা বীমা যোজনাৰ অধীনত অৰুণোদয়ৰ হিতাধিকাৰীসকলক বীমা প্ৰদানৰ বিষয়েও বিবেচনা কৰিব।
- মই এই আঁচনিৰ বাবে বাজেটত ৩,৮০০ কোটি টকা ধাৰ্য কৰিছো।

### IV. অসম মাইক্ৰ' ফাইনেন্স উদগনি আৰু সকাহ আঁচনি ঃ তৃতীয় বৰ্গ

- মই পৱিত্ৰ সদনক জনাবলৈ পাই সুখী হৈছো যে আমাৰ প্ৰতিশ্ৰুতি অনুসৰি অসম মাইক্ৰ' ফাইনেন্স উদগনি আৰু সকাহ আঁচনিৰ প্ৰথম পৰ্যায়ত প্ৰথম, দ্বিতীয় আৰু তৃতীয় শ্ৰেণীৰ প্ৰায় ১২ লাখ ঋণ গ্ৰহণকাৰীয়ে মুঠ ২,০৮১ কোটি টকাৰ আৰ্থিক সাহায্য লাভ কৰিছে।

| বিত্তীয় বৰ্ষ | শ্ৰেণী | ঋণ গ্ৰহণকাৰীৰ সংখ্যা | মুকলি কৰা পুঁজিৰ পৰিমাণ (কোটি টকা হিচাবত) |
|---|---|---|---|
| ২০২১-২২ | প্ৰথম | ৮,১৯,০১৩ | ১,৪৯৩ |
| ২০২২-২৩ | প্ৰথম | ৫৩,৭২৬ | ১০৭ |
| ২০২২-২৩ | দ্বিতীয | ৯৭,৯৩৮ | ১৯০ |
| ২০২৩-২৪ | তৃতীয় (প্ৰথম পৰ্যায়) ২৫,০০০ টকালৈ | ২,২২,৯৪৯ | ২৯১ |
| মুঠ | | ১১,৯৩,৬২৬ | ২,০৮১ |

- এই বছৰৰ বাজেটত আমি এই আঁচনিৰ অধীনৰ তৃতীয় শ্ৰেণীৰ ঋণ গ্ৰহণকাৰী দুখীয়া মহিলাসকলক সাহায্য প্ৰদান কৰিম। ২০২১ বৰ্ষৰ ৩১ মাৰ্চলৈকে যিসকলৰ একাউণ্ট নন্ পাৰফ'ৰ্মিং এছেট (NPA) লৈ পৰিণত হৈছে আৰু ২৫,০০১ টকাৰ পৰা ৫০,০০০ টকা পৰ্যন্ত মূলধন আদায় দিবলৈ বাকী আছে, তেনে মহিলাক এনে সাহায্য প্ৰদান কৰা হ'ব।
- এই আঁচনিৰ বাবে ২০২৪-২৫ বিত্তীয় বৰ্ষত মই ৫৫০ কোটি টকাৰ আবণ্টনৰ প্ৰস্তাৱ দিছোঁ।

### V. মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযান

- মহোদয়, বিগত বৰ্ষত এখন ধ্বজাবাহী আঁচনি হিচাপে মুখ্যমন্ত্ৰী স্ব-নিয়োজন অভিযানৰ বিষয়ে মই ঘোষণা কৰিছিলো।
- আঁচনিখনে ব্যাপক সঁহাৰি লাভ কৰিছে আৰু প্ৰায় ১,০৪,০০০ গৰাকী যুৱক-যুৱতীয়ে বিস্তৃত প্ৰকল্প প্ৰতিবেদনসহ আবেদন কৰিছে। চলিত ফেব্ৰুৱাৰী মাহতে বাছনি প্ৰক্ৰিয়া আৰম্ভ হ'ব।
- ক্ষুদ্ৰ উদ্যোগীসকলে চৰকাৰী অনুদান আৰু সুদবিহীন চৰকাৰী ঋণ সংযোজিতকৰণেৰে কিস্তি আকাৰে ২ লাখ আৰু ৫ লাখ টকা লাভ কৰিব। সুদবিহীন চৰকাৰী ঋণ ৫ বছৰৰ পিছত অৰ্থাৎ ৬১ তম্ মাহৰ পৰা ৬০ টা সমান কিস্তিত পৰিশোধ কৰিব লাগিব। বাণিজ্য, নিৰ্মাণ সেৱা, খাদ্য সংসাধন, হস্ততাঁত, হস্তশিল্প, কৃষি, পশুপালন, মীন আৰু দুগ্ধ ইত্যাদিৰ লেখীয়া বিভিন্ন খণ্ডৰ প্ৰশিক্ষণ আৰু পৰামৰ্শ প্ৰদান কৰা হ'ব।
- মুখ্যমন্ত্ৰী সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনাৰ অধীনত ইয়াৰ বাবদ ১,০১০ কোটি টকা ব্যয় কৰা হ'ব।

### VI. এক লাখ প্লাছ নিযুক্তি

- অধ্যক্ষ মহোদয়, আমাৰ যুৱক-যুৱতীসকলক ১ লাখ চৰকাৰী প্ৰদান কৰিম বুলি আমাৰ চৰকাৰে দৃঢ়তাৰে ঘোষণা কৰিছিল। আজি গৌৰৱেৰে জনাও যে ২০২৪ বৰ্ষৰ জানুৱাৰী মাহলৈকে আমি ৯৪,৫০৬ গৰাকী চাকৰি প্ৰত্যাশীক সফলতাৰে নিযুক্তি দিছো।
- বিতং তথ্য তলত দাখিল কৰিলো—

| | |
|---|---|
| ২০২১ বৰ্ষত প্ৰদান কৰা নিযুক্তি (মে' মাহৰ পৰা) | ৪,৭৭৯ |
| ২০২২ বৰ্ষত প্ৰদান কৰা নিযুক্তি | ৩৫,১৩০ |
| ২০২৩ বৰ্ষত প্ৰদান কৰা নিযুক্তি | ৫৩,৬৪৮ |
| ২০২৪ চনৰ জানুৱাৰীত নিৰ্বাচিত কৰা প্ৰাৰ্থী | ৯৪৯ |
| **মুঠ নিযুক্তি** | **৯৪,৫০৬** |

**বিভাগভিত্তিক বিৱৰণ ২০২২, ২০২৩ আৰু ২০২৪**

| ক্ৰমিক নং | বিভাগৰ নাম | নিযুক্তিৰ সংখ্যা |
|---|---|---|
| ১ | গৃহ আৰু ৰাজনৈতিক বিভাগ | ২০,২৮৫ |
| ২ | জনস্বাস্থ্য কাৰিকৰী বিভাগ | ৩৩৮ |
| ৩ | জলসম্পদ বিভাগ | ১৭৪ |
| ৪ | সমাজ কল্যাণ বিভাগ | ৬৯ |
| ৫ | স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগ | ৯,৭১০ |
| ৬ | কৃষি বিভাগ | ২৬৬ |
| ৭ | পৰিৱেশ আৰু বন বিভাগ | ৫৬ |
| ৮ | লোকনিৰ্মাণ বিভাগ | ৫৫২ |
| ৯ | খনি আৰু খনিজ সম্পদ বিভাগ | ২ |
| ১০ | শ্ৰমিক কল্যাণ বিভাগ | ১৭ |
| ১১ | বিদ্যালয় শিক্ষা বিভাগ | ২২,৬২৭ |
| ১২ | উচ্চ শিক্ষা বিভাগ | ১,০৯১ |
| ১৩ | বিদ্যালয় আৰু উচ্চ শিক্ষা বিভাগ | ৩১৮ |
| ১৪ | পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ | ৪৯৫ |
| ১৫ | জলসিঞ্চন বিভাগ | ৪৬২ |
| ১৬ | দক্ষতা, নিয়োগ আৰু উদ্যমিতা বিভাগ | ২৪ |
| ১৭ | পশুপালন আৰু পশু চিকিৎসা | ১৮৮ |
| ১৮ | ক্ৰীড়া আৰু যুৱ কল্যাণ | ১৪৮ |
| ১৯ | ৰূপান্তৰ আৰু উন্নয়ন বিভাগ | ১১ |
| ২০ | পৰ্যটন বিভাগ | ৬ |
| ২১ | হস্ততাঁত আৰু বস্ত্ৰশিল্প বিভাগ | ৬ |
| ২২ | মহিলা আৰু শিশু উন্নয়ন | ৪ |
| ২৩ | তথ্য-প্ৰযুক্তি বিভাগ | ৪ |
| ২৪ | পৰিবহণ বিভাগ | ২৫ |
| ২৫ | মীন বিভাগ | ৩৫ |
| ২৬ | সমবায় বিভাগ | ২ |
| ২৭ | গৃহ আৰু নগৰ পৰিক্ৰমা বিভাগ | ১ |
| ২৮ | উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগ | ১৪ |
| ২৯ | তথ্য আৰু জনসংযোগ বিভাগ | ১ |
| ৩০ | সাধাৰণ প্ৰশাসন বিভাগ | ১৭৩ |
| ৩১ | চিকিৎসা শিক্ষা আৰু গৱেষণা বিভাগ | ২৩৬ |
| ৩২ | ভূমি সংৰক্ষণ বিভাগ | ২৭ |
| ৩৩ | সামাজিক ন্যায় আৰু সবলীকৰণ বিভাগ | ৩৬২ |
| ৩৪ | অসম অসামৰিক সেৱা আৰু আনুসংঙ্গিক সেৱা | ১,৪৯৮ |
| ৩৫ | তৃতীয় বৰ্গৰ নিযুক্তিৰ বাবে গঠিত ৰাজ্যিক পৰ্যায়ৰ নিযুক্তি আয়োগৰ দ্বাৰা অনুমোদন জনোৱা প্ৰাৰ্থী | ২৫,৭০৮ |
| ৩৬ | কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদ | ৬৯৯ |
| ৩৭ | বড়োলেণ্ড টেৰিটৰিয়েল কাউন্সিল | ২,৫৭৮ |
| ৩৮ | উত্তৰ কাছাৰ পাৰ্বত্য স্বায়ত্তশাসিত পৰিষদ | ৫৭৯ |
| ৩৯ | অসম সমবায় মৰাপাট কল লিমিটেড, নগাঁও | ২৫৩ |
| ৪০ | অসম গেছ কোম্পানী লিমিটেড | ৪৪ |
| ৪১ | অসম ঔদ্যোগিক উন্নয়ন নিগম লিমিটেড | ১২ |
| ৪২ | অসম বিদ্যুৎ গ্ৰীড নিগম | ৩৯৪ |
| ৪৩ | অসম পেট্ৰ'-কেমিকেলছ লিমিটেড | ৫৩ |
| ৪৪ | অসম ঔদ্যোগিক আন্তঃগাঁথনি উন্নয়ন নিগম | ৩ |
| ৪৫ | অসম ক্ষুদ্ৰ উদ্যোগ উন্নয়ন নিগম | ২ |
| ৪৬ | অসম খনিজ উন্নয়ন নিগম | ১০ |
| ৪৭ | অসম শক্তি উৎপাদন নিগম লিমিটেড | ৪৫ |
| ৪৮ | অসম শক্তি বিতৰণ কোম্পানী লিমিটেড | ৫ |
| ৪৯ | উত্তৰ-পূব গেছ বিতৰণ কোম্পানী | ১০ |
| ৫০ | মাধৱদেৱ বিশ্ববিদ্যালয় | ৩ |
| ৫১ | কুমাৰ ভাস্কৰ বৰ্মা সংস্কৃত আৰু পুৰাতন অধ্যয়ন | ১ |
| ৫২ | মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয় | ৪০ |
| ৫৩ | ৰবীন্দ্ৰনাথ ঠাকুৰ বিশ্ববিদ্যালয় | ২৫ |
| ৫৪ | ফৰেন্‌চিক বিজ্ঞান সঞ্চালকালয় | ৩৬ |

- মহাশয়, ইয়াৰ উপৰি ৩৫,৯১০ টা পদৰ বাবে ইতিমধ্যে বিজ্ঞাপন প্ৰকাশ কৰা হৈছে। ইয়াৰ জৰিয়তে মুঠ ১,৩০,৪১৬ টা চৰকাৰী চাকৰিৰ সুবিধা সৃষ্টি কৰা হৈছে। আপোনালোক সকলোৱে এই কথাত নিশ্চয় সহমত প্ৰকাশ কৰিব যে সম্ভৱপৰ কম সময়ৰ ভিতৰতে প্ৰথমবাৰৰ বাবে এনেকুৱা এক অভিলেখ পৰ্যায়ৰ নিযুক্তি প্ৰক্ৰিয়া সম্পন্ন হৈছে।

| | |
|---|---|
| অসম লোক সেৱা আয়োগ | ২৩৯ |
| তৃতীয় বৰ্গৰ পদৰ বাবে গঠিত ৰাজ্যিক পৰ্যায়ৰ নিযুক্তি আয়োগ | ৭,৬০০ |
| চতুৰ্থ বৰ্গৰ পদৰ বাবে গঠিত ৰাজ্যিক পৰ্যায়ৰ নিযুক্তি আয়োগ | ৫,০০০ |
| ৰাজ্যিক পৰ্যায়ৰ আৰক্ষী নিযুক্তি পৰিষদ | ৬,১৬৭ |
| চিকিৎসা বিজ্ঞান আৰু স্বাস্থ্য নিযুক্তি পৰিষদ | ২৫০০ |
| শিক্ষা বিভাগ | ১৪,৪০৪ |

- এই নিযুক্তিৰ প্ৰক্ৰিয়াৰ জৰিয়তে সৰ্বাধিক সংখ্যক পৰিয়ালক সামৰি লৈ আমি সামাজিক সমতা সম্ভৱ কৰিব বিচাৰিছো।

### চৰকাৰী নিযুক্তিত সামাজিক সমতা

- অধ্যক্ষ মহোদয়, আমি প্ৰায়ে লক্ষ্য কৰো যে এটা পৰিয়ালত কেইবাজনো চৰকাৰী চাকৰিয়াল থকাৰ বিপৰীতে কিছুমান পৰিয়ালত এজনো চৰকাৰী চাকৰিয়াল নাই।
- যিমান সম্ভৱ অধিক পৰিয়ালত চৰকাৰী চাকৰিয়ালৰ উপস্থিতি নিশ্চিত কৰাৰ জৰিয়তে চৰকাৰী নিযুক্তিত সামাজিক সমতাৰ বাতাৱৰণ সৃষ্টি কৰা হ'ব।
- এনে দৃষ্টিকোণ আগত ৰাখি, মই ঘোষণা কৰিবলৈ পাই আনন্দিত হৈছো যে এই নিযুক্তি প্ৰক্ৰিয়া অব্যাহত ৰখাৰ সময়ত, আমাৰ চৰকাৰে সামাজিক সমতা প্ৰতিষ্ঠাৰ ওপৰত গুৰুত্ব আৰোপ কৰিব। সেয়েহে আমি যিসমূহ পৰিয়ালত চৰকাৰী বা ৰাজহুৱা খণ্ডত এজনো চাকৰিয়াল নাই, তেওঁলোকক সুবিধা দিয়াৰ অৰ্থে সিদ্ধান্ত লৈছো যে, তেনে প্ৰাৰ্থীয়ে মুঠ প্ৰাপ্ত নম্বৰৰ সৈতে ৫ শতাংশ অতিৰিক্ত নম্বৰ লাভ কৰিব। তৃতীয় আৰু চতুৰ্থ বৰ্গৰ সকলো পদৰ নিয়োগ প্ৰক্ৰিয়াত প্ৰাৰ্থী বাছনিৰ গুণগত মানৰ সৈতে আপোচ নকৰাকৈ এই ব্যৱস্থা কাৰ্যকৰী হ'ব।
- এই উদ্দেশ্যে আমি চলিত বছৰতে এখন নতুন বিধেয়ক উত্থাপন কৰিম।

### VII. অমৃত কালৰ বাবে প্ৰকল্প

- অধ্যক্ষ মহোদয়, এই বৰ্ষত 'অমৃত কাল'ৰ প্ৰত্যাশা পূৰণৰ অৰ্থে আমি ভৱিষ্যৎ প্ৰজন্মৰ বাবে *অমৃত কালৰ অমৃত পিড়ী* প্ৰকল্প হাতত লৈছো। এই তালিকাখন তলত উল্লেখ কৰা হ'ল—

| ক্ৰমিক নং | প্ৰকল্পৰ নাম | প্ৰাক্‌কলিত ব্যয় (কোটি টকা হিচাপত) |
|---|---|---|
| ০১ | মা কামাখ্যা দিব্যলোক পৰিযোজনা | ৪৯৮ |
| ০২ | গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ আন্তঃগাঁথনি উন্নয়ন | ৩২৫০ |

| | | |
|---|---|---|
| ০৩ | নেহৰু ষ্টেডিয়ামক বিশ্বমানৰ ক্ৰীড়াংগন হিচাপে নৱীকৰণ | ৮৩২ |
| ০৪ | অসম ৰাজ্যিক চিৰিয়াখানা, গুৱাহাটীৰ আধুনিকীকৰণ | ৩১১ |
| ০৫ | কনকলতা বৰুৱা বিশ্ববিদ্যালয়, গহপুৰ | ৫৫৪ |
| ০৬ | উত্তৰ গুৱাহাটীৰ ৰংমহলত গৌহাটী উচ্চ ন্যায়ালয়ৰ আধুনিক চৌহদ। (১৩০ বিঘা ভূমি + অধিগ্ৰহণ প্ৰকল্প ব্যয়) | ১১০ + ৩০০ |
| ০৭ | কাজিৰঙা প্ৰাকৃতিক ইতিহাস সংগ্ৰহালয় | ৮৮৬ |
| ০৮ | দীপৰ বিলৰ পুনৰুজ্জীৱিতকৰণ | ১০০ |

- *মা কামাখ্যা দিব্যলোক পৰিযোজনাৰ* বাহিৰে আন সকলো প্ৰকল্প ৰাজ্য চৰকাৰৰ স্ব-অগ্ৰাধিকাৰ উন্নয়ন (SOPD) আঁচনিৰ অধীনত ৰূপায়ণ কৰা হ'ব।
- এই সকলো অমৃত কাল প্ৰকল্প তিনি বছৰৰ ভিতৰত সম্পূৰ্ণ কৰা হ'ব আৰু চলিত বৰ্ষতে ইয়াৰ বাবে পৰ্যাপ্ত বাজেট মঞ্জুৰি প্ৰদান কৰা হ'ব।

## VIII. বিকাশ কৰিড'ৰ সৃষ্টি

- মহোদয়, এই কথা ঘোষণা কৰিবলৈ পাই মই আনন্দিত হৈছো যে সকলোবোৰ পথ প্ৰকল্পৰ সময় সাপেক্ষ ৰূপায়ণৰ ফলশ্ৰুতিত অসমৰ লোক নিৰ্মাণ বিভাগৰ পথৰ দৈৰ্ঘ্যই ৫০,০০০ কিলোমিটাৰ অতিক্ৰম কৰিছে।
- বিগত দুবছৰত আমি প্ৰতিদিনে গড় হিচাপত ১২ কিলোমিটাৰ পথ নিৰ্মাণ কৰিছো।
- উল্লেখযোগ্য যে ২০১৪ চনৰ পৰা অসমৰ সমগ্ৰ পথ দৈৰ্ঘ্য দুগুণলৈ বৃদ্ধি হৈছে।
- উন্নতমানৰ যোগাযোগ ব্যৱস্থাৰ এই ধাৰা অব্যাহত ৰাখি আমাৰ চৰকাৰে নিম্নোক্ত পথ নিৰ্মাণৰ আঁচনিসমূহ গ্ৰহণ কৰিছে—

### মুখ্যমন্ত্ৰীৰ পকীপথ নিৰ্মাণ আঁচনি

- ২০২২-২৩ বৰ্ষত আমি ২,৯৯৫ কিলোমিটাৰ পথৰ বাবে ২,৩৩০ কোটি টকাৰ পুঁজিত অনুমোদন জনাইছিলো। অতিৰিক্তভাৱে ২০২৩-২৪ বিত্তীয় বৰ্ষত আমি ১,৪৮০ কোটি টকাৰ বাজেটেৰে আন ১,৮০১ কিলোমিটাৰ পথ নিৰ্মাণত মঞ্জুৰি প্ৰদান কৰিছো আৰু কাম আবণ্টনৰ পৰ্যায়ত আছে।

### মুখ্যমন্ত্ৰীৰ উন্নত পকীপথ নিৰ্মাণ আঁচনি

- এই আঁচনিৰ অধীনত আমি ২০২২-২৩ বৰ্ষত ১,৩৬৩ কোটি টকা বাজেটেৰে ১,২০২ কিলোমিটাৰ পথ নিৰ্মাণত অনুমোদন জনাইছিলো। অতিৰিক্তভাৱে ২০২৩-২৪ বৰ্ষত ১,৫৫০ কোটি টকা বাজেট আবণ্টেনেৰে আমি ১,১৩৬ কিলোমিটাৰ পথ উন্নয়নৰ কাম আৰম্ভ কৰিছো আৰু এইসমূহৰ কাম আবণ্টনৰ পৰ্যায়ত আছে।

### মুখ্যমন্ত্ৰীৰ মথাউৰি পকীকৰণ আঁচনি

- ইয়াৰ অধীনত ৫২৯ কোটি টকা ব্যয়েৰে ৩২৮ কিলোমিটাৰ পথৰ কামত মঞ্জুৰি প্ৰদান কৰা হৈছে আৰু এই কামে অগ্ৰগতি লাভ কৰিছে।

### মুখ্যমন্ত্ৰীৰ পথ নবীকৰণ আঁচনি

- এই আঁচনিৰ অধীনত ৩৭০ কোটি টকা ব্যয়েৰে ১,৮৪৮ কিলোমিটাৰ দৈৰ্ঘ্যৰ পথত অনুমোদন জনোৱা হৈছে আৰু ইয়াৰ কাম চলি আছে। তদুপৰি, ৩৩৯ কোটি টকাৰ ব্যয়েৰে ১,৭০৭ কিলোমিটাৰ দৈৰ্ঘ্যৰ পথ নিৰ্মাণৰ কাম হাতত লোৱা হৈছে আৰু ইয়াৰ বাবে কাম আবণ্টনৰ প্ৰক্ৰিয়া চলি আছে। চলিত বৰ্ষতো আমি এই আঁচনিখন অব্যাহত ৰাখিম।

### অসম মালা-২.০

- অধ্যক্ষ মহোদয়, অসম মালাৰ অধীনৰ প্ৰকল্পসমূহৰ সফল ৰূপায়ণত উদ্বুদ্ধ হৈ অসম মালা ২.০ৰ অধীনত ১,০০০ কিলোমিটাৰ দৈৰ্ঘ্যৰ পথ সামৰি পথ সংযোগৰ পৰবৰ্তী পৰ্যায়ৰ কাম আৰম্ভ কৰা হৈছে। অসম মালা-২.০ৰ মূল লক্ষ্য হ'ল— বৰ্তমানে থকা ৰাষ্ট্ৰীয় ঘাইপথ আৰু গ্ৰাম্য পথসমূহৰ মাজত সংযোগী পথ স্থাপন কৰা। ইয়াৰ অধীনত ২৮ খন জিলাৰ ৩৮ খন দলং সামৰি লোৱা অসম ৰোড নেটৱৰ্ক মাষ্টাৰ প্লেনৰ ওপৰত ভিত্তি কৰি ৪৩ টা অগ্ৰাধিকাৰপ্ৰাপ্ত পথ চিনাক্ত কৰা হৈছে।
- ২০২৪ চনৰ মাৰ্চ মাহত অসম মালা ২.০ৰ ৰূপায়ণৰ কাম আৰম্ভ হ'ব। এই প্ৰকল্পৰ ব্যয় হ'ব প্ৰায় ৩,৫০০ কোটি টকা। এই প্ৰকল্পসমূহৰ পথৰ তালিকা **পৰিশিষ্ট-গত** উল্লেখ কৰা হৈছে।
- তদুপৰি, ৰূপায়ণৰ বিভিন্ন পৰ্যায়ত থকা নিম্নলিখিত অভিলাষী প্ৰকল্পসমূহৰ বিষয়ে উল্লেখ কৰিবলৈ পাই মই অতি আনন্দ অনুভৱ কৰিছো।

| ক্ৰমিক নং | আঁচনিৰ বিৱৰণ | প্ৰাক্কলিত ব্যয় (কোটি টকা হিচাবত) |
|---|---|---|
| ০১ | লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰ্জাতিক বিমান বন্দৰ সংযোগী ধাৰাপুৰ-ভি আই পি সংযোগস্থললৈ উন্নত পথ নিৰ্মাণ কৰি বৰ্তমানৰ দুইলেনযুক্ত পথ চাৰিলেনযুক্ত পথলৈ সম্প্ৰসাৰণ আৰু সৌন্দৰ্যবৰ্দ্ধন | ৩৫৮ |
| ০২ | যোৰহাটত বৰুৱা চাৰিআলিৰ পৰা ভোগদৈ দলঙলৈ উৰণ সেতু | ১৬৮ |
| ০৩ | গুৱাহাটীৰ চাইকেল ফেক্টৰী সংযোগস্থলত উৰণ সেতু | ৩৭৬ |
| ০৪ | গুৱাহাটীৰ গোপীনাথ বৰদলৈ পথত চাৰিলেনযুক্ত এলিভেটেড ক'ৰিডৰ | ৮৫৩ |
| ০৫ | পৰ্যটনৰ বিকাশ আৰু পৰ্যটকক ৰোমাঞ্চকৰ ভ্ৰমণৰ অভিজ্ঞতা প্ৰদান কৰাৰ উদ্দেশ্যে বিশ্বনাথ ঘাটৰ পৰা উমাটুমনিৰ মাজত ৰজ্জু পথ। | ৫৮ |
| ০৬ | ব্ৰহ্মপুত্ৰৰ ওপৰত গুৱাহাটী-উত্তৰ গুৱাহাটী সংযোগী দলং | ২৬০৮ |
| ০৭ | পলাশবাৰী-শুৱালকুছি দলং | ৩১৯৭ |

### সম্পূৰ্ণ হোৱা কেইখনমান আঁচনি

| ক্ৰমিক নং | প্ৰকল্পৰ নাম | প্ৰকল্প ব্যয়(কোটি টকা হিচাবত) |
|---|---|---|
| ০১ | পাণ্ডুঘাট ফীডাৰ পথলৈ সম্প্ৰসাৰিত সেতুৰে সৈতে গুৱাহাটীৰ মালিগাঁৱৰ পৰা কামাখ্যা গে'টলৈ চাৰিলেনযুক্ত উৰণ সেতু নিৰ্মাণ। | ৪২০ |
| ০২ | গুৱাহাটীৰ আৰ জি বৰুৱা পথৰ জু-তিনিআলিত উৰণ সেতু নিৰ্মাণ। | ৩১৬ |
| ০৩ | লংকাৰ পৰা উমৰাংছ'লৈ দুইলেনযুক্ত পথ নিৰ্মাণ। | ২৮১ |

### ৰূপায়ণ হৈ থকা প্ৰধান আঁচনিসমূহৰ তালিকা

| ক্ৰমিক নং | প্ৰকল্পৰ নাম | প্ৰকল্প ব্যয় (কোটি টকা হিচাবত) |
|---|---|---|
| ০১ | ঘুণাসুঁতিত সোঁৱণশিৰিৰ ওপৰত বৃহৎ দলং নিৰ্মাণ | ৩৮৪ |
| ০২ | পাগলাদিয়া নদীৰ ওপৰত বৃহৎ দলং আৰু কুমাৰীকাটা আৰু নয়াবস্তি সংযোগী পথ নিৰ্মাণ | ২৪৮ |
| ০৩ | ডিফু ষ্টেডিয়ামৰ পৰা ডিফুলৈ চাৰিলেনযুক্ত উৰণ সেতু নিৰ্মাণ | ২২৮ |
| ০৪ | বালিচাপৰি-মাজুলীৰ পৰা লক্ষীমপুৰৰ বঙালমাৰালৈ পথ নিৰ্মাণ (সোৱণশিৰি আৰু লুইতৰ ওপৰত দুখন বৃহৎ দলং নিৰ্মাণক সামৰি) | ৬৯৫ |
| ০৫ | ধোদৰ আলি (কমাৰগাঁৱৰ পৰা কমাৰবন্ধা) | ৩০৪ |
| ০৬ | ঢকুৱাখনা-বুটিকুৰ-তেলিজান পথ | ১৪৬ |
| ০৭ | সৰ্থেবাৰী-পাঠশালা পথ | ১১৪ |
| ০৮ | মৰাণৰ পৰা ডিচাং কিনাৰ বেংগলীলৈ মৰাণ নাহৰকটীয়া-দুলীয়াজান পথ | ২১৫ |
| ০৯ | শিৱসাগৰ চোমনি পথ | ১২১ |
| ১০ | ধোদৰ আলি (বালিঘাট তিনিআলিৰ পৰা ন-কছাৰীলৈ) | ২১০ |
| ১১ | দিচাং কিনাৰ বেংগলীৰ পৰা কঁঠালগুৰি পথ | ২৫৬ |
| ১২ | চাপাগুৰি আমটেকা ভূটান সীমান্ত পথ | ২০৫ |
| ১৩ | যোগীঘোপা-ঔডুবি-বঙাইগাঁও পথ | ২৬২ |
| ১৪ | হামৰেনৰ পৰা টুমপ্ৰেং পথ | ২২১ |
| ১৫ | টুমপ্ৰেঙৰ পৰা নীলবাগান পথ | ৩১৪ |
| ১৬ | নীলবাগানৰ পৰা হাওৰাঘাট পথ | ১৩১ |
| ১৭ | হাফলং তিনিআলিৰ পৰা নাচিংৰাৰি পথ | ১৭৭ |
| ১৮ | নাচিংৰাৰিৰ পৰা থানালামব্ৰা পথ | ২১০ |
| ১৯ | বৰখোলা খামবাৰ বাজাৰ কালাইন পথ | ১০৪ |
| ২০ | ভাংগা-চেচাবাৰী-হাইলাকান্দি পথ | ১২২ |
| ২১ | হাইলাকন্দি-দ্বাৰবন্দ পথ | ১৫০ |
| ২২ | বৰদোৱা হৈ ধিঙৰ পৰা নগাঁও লৈ পথৰ উন্নীতকৰণ | ২১৭ |
| ২৩ | নাহৰআলি পথৰ উন্নীতকৰণ | ৩০৬ |
| ২৪ | যোৰহাট চিকিৎসা মহাবিদ্যালয় হৈ যোৰহাটৰ পৰা কমাৰবন্ধা পথৰ উন্নীতকৰণ | ৪২৪ |
| ২৫ | বংশৰ তিনিআলিৰ পৰা হাজোলৈ পথৰ উন্নীতকৰণ | ২৭৯ |
| ২৬ | দেৰপুখুৰী হৈ দলগাঁৱৰ পৰা ধূপগুৰিলৈপথৰ উন্নীতকৰণ | ২১৫ |
| ২৭ | ধূপগুৰিৰ পৰা ঢেকীয়াজুলি পথৰ উন্নীতকৰণ | ২৮৩ |
| ২৮ | ছিপাঝাৰৰ পৰা দলংঘাটলৈ পথৰ উন্নীতকৰণ | ২৬৭ |
| ২৯ | দলংঘাটৰ পৰা টংলালৈ পথৰ উন্নীতকৰণ | ৯২ |
| ৩০ | ৰঙিয়া কাউৰবাহাৰ পৰা নাগ্ৰীজুলিলৈ পথৰ উন্নীতকৰণ | ৩৫২ |
| ৩১ | মুকালমুৱা-জাগ্ৰা-বনগাঁও পথৰ উন্নীতকৰণ | ২২৮ |

## IX. মুখ্যমন্ত্ৰী আৱাস যোজনা (গ্ৰামীণ)

- 'সকলোৰে বাবে গৃহ' কাৰ্যসূচীৰ লক্ষ্য অনুসৰি ২০২৩-২৪ বিত্তীয় বৰ্ষত আমি 'মুখ্যমন্ত্ৰী আৱাস যোজনা' (গ্ৰামীণ) ঘোষণা কৰিছিলো। ইয়ে ১.৩০ লাখ টকাৰ সাহায্যৰে প্ৰথম পৰ্যায়ত ১,৩০,০০০ টা অতিৰিক্ত গৃহ নিৰ্মাণৰ পথ প্ৰশস্ত কৰিব।
- মহোদয়, এই বৰ্ষত আৰু এখোজ আগুৱাই এই গৃহসমূহৰ ১০ শতাংশ অৰ্থাৎ ১৩,০০০ গৃহ চাহ জনজাতি সম্প্ৰদায়ৰ যোগ্য হিতাধিকাৰীক প্ৰদান কৰা হ'ব।
- তদুপৰি, পূৰ্বৰ বাদ পৰি যোৱা যোগ্য হিতাধিকাৰীসকলক সামৰি লোৱাৰ পদক্ষেপ হিচাপে ১৩,০০০ গৃহ (১০ শতাংশ হিতাধিকাৰী) পূৰ্বৰ আৰ্থ-সামাজিক আৰু জাতিগত পিয়ল (SECC) আৰু অতিৰিক্ত তালিকাৰ পৰা বাদ পৰি যোৱা অতি দৰিদ্ৰ হিতাধিকাৰীসকলৰ বাবে আবণ্টন দিয়া হ'ব। এয়া স্থায়ী অপেক্ষাৰ তালিকাত অন্তৰ্ভুক্ত নোহোৱা লোকৰ বাবে উপলব্ধ।
- অধ্যক্ষ মহোদয়, মাননীয় প্ৰধানমন্ত্ৰী শ্ৰীনৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ পদক্ষেপ অনুসৰি ২০২৪-২৫ বৰ্ষৰ অন্তৰৱৰ্তীকালীন বাজেটত প্ৰধানমন্ত্ৰী আৱাস যোজনা (গ্ৰামীণ)ৰ অধীনত আগন্তুক ৫ বছৰত ২ কোটি টা অতিৰিক্ত গৃহ নিৰ্মাণৰ ঘোষণা কৰা হৈছে। এই পদক্ষেপে অসমৰ দৰিদ্ৰ পৰিয়ালসমূহকো বিশেষভাৱে উপকৃত কৰিব।
- এই আঁচনিৰ বাবে মই ৬০০ কোটি টকা আবণ্টনৰ প্ৰস্তাৱ কৰিছোঁ।
- তদুপৰি আমাৰ চৰকাৰে অভিলাষী চৰকাৰী আৱাস প্ৰকল্পও হাতত লৈছে।

### আৰক্ষীৰ বাবে গৃহ

- মহোদয়, আৰক্ষী-কৰ্মচাৰী আৰু তেওঁলোকৰ পৰিয়ালৰ বসবাসৰ সু-ব্যৱস্থাৰ বাবে আমাৰ চৰকাৰে অনাগত ৫ বছৰত ১,০০০ বৰ্গফুটৰ ২ টা শোৱনিকোঠাযুক্ত ১০,০০০ নতুন গৃহ নিৰ্মাণৰ পৰিকল্পনা লৈছে।
- সমগ্ৰ অসমত সিঁচৰতি হৈ থকা অসম আৰক্ষী বেটেলিয়নসমূহৰ লগতে লাচিত বৰফুকন আৰক্ষী একাডেমীত এই গৃহসমূহ নিৰ্মাণ কৰা হ'ব।
- ২০২৪-২৫ বিত্তীয় বৰ্ষত আমি ২,০০০ টা গৃহ নিৰ্মাণৰ কাম সম্পূৰ্ণ কৰিম।
- এই উদ্দেশ্য মই ১৫০ কোটি টকা ধাৰ্য কৰিছো।

### চাফাই কৰ্মচাৰীসকলৰ বাবে গৃহ

- পৌৰসভা আৰু নগৰ সমিতি অঞ্চলসমূহত পৰ্যায়ক্ৰমে চাফাই কৰ্মচাৰীসকলক গৃহ প্ৰদান কৰাৰ বাবে এখন আঁচনি ঘোষণা কৰিবলৈ পাই মই নথৈ আনন্দিত হৈছো, য'ত ষ্ট্ৰীট লাইট, পানীযোগান, উদ্যান আৰু সমূহীয়া কেন্দ্ৰৰ দৰে অত্যাৱশ্যকীয় সা-সুবিধা থাকিব।
- চলিত বৰ্ষত সমগ্ৰ ৰাজ্যখনতে প্ৰথম পৰ্যায়ত ২৫০টা গৃহ নিৰ্মাণৰ বাবে ৩৭.৫০ কোটি টকা ধাৰ্য কৰা হৈছে।

## X. বানপানীৰ দিশ সলনিৰ বাবে ব্ৰহ্মপুত্ৰৰ সৈতে জলাশয়সমূহৰ সংলগ্নকৰণৰ উদ্ভাৱনমূলক পদক্ষেপ

- জলবায়ু স্পৰ্শকাতৰতা সূচাংক (climate vulnerability index) অনুসৰি জলবায়ুৰ ক্ষেত্ৰত অসম আটাইতকৈ স্পৰ্শকাতৰ ৰাজ্য আৰু জলবায়ু পৰিৱৰ্তনজনিত প্ৰতিকূল বতৰৰ বাবে প্ৰতি বছৰে আমাৰ যথেষ্ট জন-ধন হানি হয়। ই আমাৰ গাঁও আৰু চহৰ উভয়ৰে বাসিন্দাসকলক সমানে ক্ষতিগ্ৰস্ত কৰে। মথাউৰি নিৰ্মাণৰ দৰে পৰম্পৰাগত বান প্ৰতিৰোধ ব্যৱস্থাৰ আওতাৰ বাহিৰলৈ গৈ এক সৰ্বাংগীণ আৰু সংহত জলসম্পদ পৰিচালনা ব্যৱস্থাৰ জৰিয়তে বানপানীজনিত দুৰ্যোগৰ মোকাবিলা কৰাৰ বাবে আমাৰ চৰকাৰ ৰাজ্যবাসীৰ ওচৰত দায়বদ্ধ।
- এই উদ্দেশ্য আগত ৰাখি আমি শেহতীয়া বিজ্ঞানসন্মত তথ্য আৰু অধ্যয়নেৰে নতুন পদক্ষেপ গ্ৰহণ কৰাটো বিচাৰিছো। বানপানী অন্যফালে বোৱাই নিয়াৰ বাবে উপযুক্ত জলাশয়/আৰ্দ্ৰভূমি চিনাক্তকৰণৰ অৰ্থে আমি উত্তৰ-পূব মহাকাশ প্ৰয়োগ কেন্দ্ৰৰ জৰিয়তে জৰীপ চলাইছিলো। ইয়াৰ জৰিয়তে সৰ্বমুঠ ২৭১ টা জলাশয়/হ্ৰদ (১০ হেক্টৰতকৈ বিস্তৃত) বানপানী অন্যফালে বোৱাই নিয়াৰ বাবে উপযুক্ত বুলি বিবেচিত হৈছে। উপযুক্ত বৈজ্ঞানিক তথ্য আৰু গৱেষণাৰ ভিত্তিত কেতবোৰ নতুন ব্যৱস্থাৰ প্ৰয়োগেৰে প্ৰথম পৰ্যায়ত জলধাৰণ ক্ষমতা অতিৰিক্ত ২২০ লাখ কিউবিক মিটাৰলৈ বৃদ্ধি কৰাৰ জৰিয়তে কেইটামান বৃহৎ আকাৰৰ জলাশয় পুনৰুজ্জীৱিতকৰণ আৰু পুনৰুদ্ধাৰ কৰাৰ বাবে চিনাক্ত কৰা হৈছে।
- উত্তৰ-পূব মহাকাশ প্ৰয়োগ কেন্দ্ৰ (NESAC)ই বানপানী সৃষ্টি কৰা নদীসমূহৰ জলবিজ্ঞান বিশ্লেষণ কৰিছিল। এই অধ্যয়নত এইটোৰে লক্ষ্য কৰা হৈছিল যে বানপানীৰ পথ সলনিয়ে কিছুসংখ্যক নদীৰ বানৰ আধিক্যৰ সময়ত ইয়াৰ জলৰাশি ২০ শতাংশৰ পৰা ৮০ শতাংশলৈকে হ্ৰাস কৰিব পাৰে। এই পদক্ষেপে পৰ্যটন ক্ষেত্ৰখনক উল্লেখযোগ্যভাৱে সহায় কৰাৰ লগতে ভূ-ভাগৰ নিম্নগামী জলপৃষ্ঠক ওপৰলৈ অনাত আৰু দুৰ্বল জল পৰিৱেশতন্ত্ৰৰ পুনৰ উদ্ধাৰ কৰাত সহায় কৰিব। ই এক বহনক্ষম ধৰণে পৰিৱেশতন্ত্ৰজনিত সেৱাৰ ওপৰত নিৰ্ভৰ কৰা সম্প্ৰদায়সমূহক জীৱিকাৰ ক্ষেত্ৰত উপকৃত কৰিব।
- মথাউৰি নিৰ্মাণৰ পৰম্পৰাগত ব্যৱস্থাৰ পৰা আঁতৰি জলাশয় আৰু ব্ৰহ্মপুত্ৰৰ বানপানীৰ সংহত ব্যৱস্থাপনাৰ এই নতুন পদ্ধতি বান প্ৰতিৰোধৰ ক্ষেত্ৰত ৰাজ্যখনৰ এক যুগান্তকাৰী পদক্ষেপ।
- ইয়াৰ বাবে প্ৰায় ২০০ কোটি টকাৰ আবণ্টন দিয়াৰ বাবে প্ৰস্তাৱ কৰা হৈছে।
- চৰকাৰৰ মথাউৰি নিৰ্মাণ আৰু ব্যৱস্থাপনাৰ দৰে নিয়মীয়া গুৰুত্বপূৰ্ণ ব্যৱস্থাৰ উপৰি ই হ'ব এক অতিৰিক্ত কাৰ্যপন্থা। বিগত তিনিটা বছৰত আমি ২০৪ কিলোমিটাৰ নতুন মথাউৰি নিৰ্মাণ, ১,১২৫ কিলোমিটাৰ বৰ্তমানে থকা মথাউৰিৰ উচ্চতা বৃদ্ধি তথা শক্তিশালীকৰণৰ ব্যৱস্থা কৰিছো।
- ইয়াৰ উপৰি আমাৰ চৰকাৰে ১০০০ কিলোমিটাৰ মথাউৰিক পথ-মথাউৰীলৈ ৰূপান্তৰৰ ব্যৱস্থা কৰিছে।
- ৫২০ কোটি টকাৰ ব্যয়েৰে ৫০ টা মথাউৰিৰ নিৰ্মাণ/উন্নীতকৰণৰ বাবে ইতিমধ্যে প্ৰশাসনিক অনুমোদন দিয়া হৈছে। চলিত বৰ্ষতে এই প্ৰকল্পসমূহৰ ৰূপায়ণৰ কাম আৰম্ভ হ'ব।

## XI. সেউজ অসমৰ বাবে সেউজ বিকাশ

### অমৃত বৃক্ষ আন্দোলন

- অমৃত বৃক্ষ আন্দোলনৰ অধীনত সমগ্ৰ ৰাজ্যখনত ৫৩ বিধ বাণিজ্যিকভাৱে মূল্যৱান প্ৰজাতিৰ এক কোটিৰো অধিক গছপুলি ৰোপণ কৰা হৈছে।
- মোবাইল এপৰ জৰিয়তে ৪৮ লাখৰো অধিক নাগৰিকে নিজৰ নাম পঞ্জীয়ন কৰিছিল আৰু ১.১২ কোটি গছপুলি ৰোপণ কৰিছিল।
- এই জন-ভাগিদাৰী আৰ্হিৰ প্ৰচেষ্টাই বৃক্ষৰোপণ সম্পৰ্কীয় ১০টা গীনিজ বিশ্ব অভিলেখ গঢ়িবলৈ সক্ষম হৈছে।
- এই বছৰ আমি তিনি কোটি গছপুলি ৰোপণ কৰিম আৰু এই উদ্দেশ্যে মই ৪০ কোটি টকা আবণ্টনৰ প্ৰস্তাৱ দিলো।

### নবীকৰণযোগ্য শক্তি

- অসম শক্তি উৎপাদন নিগম লিমিটেড আৰু অইল ইণ্ডিয়া লিমিটেডৰ মাজত নামৰূপত ২৫ মেগাৱাটৰ সৌৰশক্তি প্ৰকল্পকে ধৰি সেউজ শক্তি উৎপাদন প্ৰকল্পৰ বাবে ৪,০৯১ কোটি টকাৰ এখন বুজাবুজিৰ চুক্তি স্বাক্ষৰ কৰা হৈছে।
- ৰাজ্যিক ভিত্তিক নবীকৰণযোগ্য শক্তি প্ৰকল্পৰ বাবে অসম শক্তি বিতৰণ কোম্পানী লিমিটেডে নেইভেল্লি লিগনাইট কৰ্প'ৰেচন ইণ্ডিয়া লিমিটেড আৰু ছটলুজ জল বিদ্যুৎ নিগমৰ সৈতে সমন্বয় স্থাপন কৰিছে।
- এহাজাৰ মেগাৱাট সৌৰশক্তি প্ৰকল্প স্থাপনত ভাৰত চৰকাৰে অনুমোদন দিছে।
- তদুপৰি, ১২০ মেগাৱাট ক্ষমতাসম্পন্ন নামনি কপিলী জলবিদ্যুৎ প্ৰকল্পৰ কাম চলিত বৰ্ষৰ শেষ ভাগত সম্পূৰ্ণ হ'ব।

### সেউজ পৰিবহণ

- পৰিৱেশ অনুকূল অভ্যাসৰ প্ৰতি ৰাজ্যখনৰ অঙ্গীকাৰ প্ৰদৰ্শন কৰি নতুন বৈদ্যুতিক বাহনৰ পঞ্জীয়ন মাচুল ৰেহাই আৰু মটৰ গাড়ী কৰ দুই শতাংশ হ্ৰাস কৰা হৈছে।
- যান-বাহন স্ক্ৰেপেজ নীতিৰ অধীনত তিনি হাজাৰ যান-বাহন বিজ্ঞানসন্মতভাৱে ভাঙি পেলোৱা হৈছে।
- অসম ৰাজ্যিক পৰিবহণ নিগমৰ অধীনত আমি গুৱাহাটী মহানগৰীত ১০০ খন চি এন জি বাছ আৰু ২০০ খন বৈদ্যুতিক বাছৰ চলাচল আৰম্ভ কৰিছো। ২০২৪-২৫ বিত্তীয় বৰ্ষত আমি গুৱাহাটীত আন ১০০ খন বিদ্যুৎচালিত বাহনৰ চলাচল আৰম্ভ কৰিম, যাতে মহানগৰীৰ ৰাজহুৱা পৰিবহণ ব্যৱস্থা ১০০ শতাংশ সেউজ হোৱাৰ লগতে সম্পূৰ্ণৰূপে জীৱাশ্মভিত্তিক ইন্ধনমুক্ত হয়।

### চৰকাৰী ভৱনৰ বিদ্যুৎ ব্যৱস্থাৰ নিৰীক্ষণ

- এই বছৰ মই চৰকাৰী ভৱনবোৰৰ কাৰ্বন ফুটপ্ৰিণ্ট কমাবৰ বাবে ভৱনবোৰৰ ব্যৱহাৰ্য শক্তিৰ নিৰীক্ষণ (Energy Audit) কৰাৰ প্ৰস্তাৱ দিছো।
- ইয়াৰ বাবে মই ১০ কোটি টকাৰ প্ৰস্তাৱ দিলো।

### ঘৰৰ ছাদত বাধ্যতামূলক সৌৰশক্তি

- ৰাজ্যখনৰ সকলো নতুনকৈ নিৰ্মাণ হ'বলগীয়া (ব্যক্তিগত আৰু চৰকাৰী) ভৱনৰ ছাদত সৌৰশক্তি ব্যৱস্থাৰ সুবিধা বাধ্যতামূলক কৰা হ'ব। আমাৰ চৰকাৰে এই উদ্দেশ্যে চলিত বছৰতে এখন আইন প্ৰণয়ন কৰিব।

## XII. চাহ জনজাতি সম্প্ৰদায়ৰ কল্যাণ

- আমাৰ ৰাজ্যৰ চাহ শ্ৰমিক সম্প্ৰদায়ৰ উন্নয়নৰ বাবে আমি বিভিন্ন কল্যাণকামী পদক্ষেপ গ্ৰহণ কৰিছো। তাৰ ভিতৰত আছে—
  i. চৰকাৰী চাকৰিত ৩ শতাংশ সংৰক্ষণ।
  ii. চাহ বাগিচা অঞ্চলৰ গৰ্ভৱতী মহিলাৰ বাবে মজুৰি ক্ষতিপূৰণ আঁচনি।
  iii. ২১৮ খন আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয় স্থাপন।
  iv. মুখ্যমন্ত্ৰী আৱাস যোজনা (গ্ৰামীণ)ৰ অধীনত ১৩,০০০ আৱাস নিৰ্মাণ।
  v. জলজীৱন অভিযানৰ অধীনত ঘৰে ঘৰে নলযোগে কাৰ্যকৰী পানী যোগান।
  vi. চাহ বাগিচাৰ পথ উন্নয়ন।
- তদুপৰি, আমাৰ প্ৰতিশ্ৰুতি অনুসৰি এই বৰ্ষত আমি চাহ বাগিচাৰ লাইনত থকা বাগিচা কৰ্মী পৰিয়ালক বকেয়া বিদ্যুৎ মাচুল ৰেহাই প্ৰদান কৰিম।
- ইয়াৰ বাবে মই ৭৫ কোটি টকা ধাৰ্য কৰিছো।
- ইয়াৰ উপৰি চাহ জনজাতি সম্প্ৰদায়ৰ ভূমিৰ অধিকাৰ সংৰক্ষণৰ বাবে আমি ব্যৱস্থা কৰিম। এয়া পৰিলক্ষিত হৈছে যে তিনি প্ৰজন্ম ধৰি বসবাসৰ প্ৰমাণ দিব পৰাকৈ চাহ জনজাতি আৰু আন বহুতো খিলঞ্জীয়া সম্প্ৰদায়ৰ লোকৰ তথ্য প্ৰমাণ নাথাকে। ইয়াৰ ফলত তেওঁলোকে ভূমি বন্দৱস্তিৰ সুবিধাৰ পৰা বঞ্চিত হয়।
- মিছন বসুন্ধৰা-৩.০ৰ অধীনত চাহ জনজাতি আৰু কেতবোৰ খিলঞ্জীয়া সম্প্ৰদায়ৰ

লোকক ভূমিৰ অধিকাৰ দিবলৈ বসবাসৰ প্ৰমাণপত্ৰৰ প্ৰয়োজনীয়তাৰ ক্ষেত্ৰত শিথিলতা প্ৰদৰ্শন কৰা হ'ব।

## XIII. সাংস্কৃতিক পৰিচয়ৰ অন্বেষণ

### ঐতিহ্য বলয় আৰু খণ্ডৰ সৃষ্টি

- বৰপেটা, মাজুলী, বটদ্ৰৱা আৰু নাৰায়ণপুৰৰ আইক'নিক আৰু ঐতিহ্যমণ্ডিত স্থানসমূহৰ সাংস্কৃতিক তাৎপৰ্য ৰক্ষা কৰাটো প্ৰাথমিক কৰ্তব্য বুলি আমাৰ চৰকাৰে বিবেচনা কৰে। এইক্ষেত্ৰত জনজাতি বলয়/খণ্ডৰ আৰ্হিত ঐতিহ্য বলয়/খণ্ড সৃষ্টি কৰি এই স্থানসমূহৰ সুৰক্ষা দিয়াৰ বাবে নিৰ্দ্দিষ্ট পদক্ষেপ গ্ৰহণ কৰাটো আমাৰ লক্ষ্য।
- সেই অনুসৰি এই স্থানসমূহৰ চৌপাশৰ ভূমি কেৱল খিলঞ্জীয়া লোক/প্ৰতিষ্ঠানসমূহলৈহে যাতে হস্তান্তৰ কৰিব পাৰি সেয়া নিশ্চিত কৰি আমি এখন উপযুক্ত বিধেয়ক উত্থাপন কৰিম।

### কিংবদন্তি শিল্পীৰ সোঁৱৰণত তিনিটা সাংস্কৃতিক সন্ধিয়া

- অধ্যক্ষ মহোদয়, অসমীয়া সমাজৰ চেতনাত চিৰস্থায়ী প্ৰভাৱ পেলোৱা মহান লোকসকলৰ অৱদানক আমি স্মৰণ কৰিব বিচাৰিছো।
- ৰাজ্যখনৰ সকলো প্ৰান্তৰ বিভিন্ন প্ৰজন্মৰ শিল্পীসকলক একেলগ কৰি এক সাংগীতিক মূৰ্চ্ছনা সৃষ্টিৰে নিম্নোক্ত প্ৰবাদপ্ৰতিম শিল্পীসকলে আগবঢ়াই যোৱা অৱিহণাক শ্ৰদ্ধা জনাই তিনিটা নৈশ সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হ'ব—

১. ভূপেন হাজৰিকা, যিগৰাকী শিল্পীয়ে শব্দৰে সীমাৰ পৰিধি নেওচি একতাৰ বাণী প্ৰচাৰেৰে আমাক এখন সমন্বয়ৰ সমাজ গঢ়াৰ দিশত অনুপ্ৰাণিত কৰি গৈছে।

২. জয়ন্ত হাজৰিকা, যিগৰাকী মহান শিল্পীৰ সাংগীতিক সংযোজনে অসমৰ সত্তাক প্ৰতিফলিত কৰে।

৩. বিষ্ণুপ্ৰসাদ ৰাভা, যিগৰাকী বহুমুখী প্ৰতিভাধৰ শিল্পী তথা সমাজ পৰিৱৰ্তনৰ বাটকটীয়াই আমাৰ সৃজনশীলতাত নিহিত হৈ থকা শক্তিৰ বিষয়ে মনত পেলায় আৰু জ্যোতিপ্ৰসাদ আগৰৱালা, যিগৰাকী মহান ব্যক্তিয়ে চিনেমাৰ কেমেৰাৰ লেন্সেৰে আমাৰ সাংস্কৃতিক বৈভৱক যুগমীয়া কৰি বোলছবি উদ্যোগৰ উত্থানৰ পথ প্ৰশস্ত কৰিছে।

### অসমীয়া চলচ্চিত্ৰলৈ বিত্তীয় সাহায্য

- অসমীয়া চলচ্চিত্ৰক উৎসাহিত কৰিবলৈ আমি পূৰ্ণদৈৰ্ঘ্যৰ অসমীয়া বোলছবিৰ বাবে ১০ লাখ টকাকৈ অনুদান আগবঢ়াব বিচাৰিছো।
- বিশিষ্ট ব্যক্তিৰে গঠিত এখন জুৰীয়ে মনোনয়নসমূহ পৰীক্ষা কৰি তেওঁলোকৰ পৰামৰ্শসমূহ প্ৰদান কৰিব। অসমীয়া চলচ্চিত্ৰক অধিক প্ৰতিযোগিতামূলক আৰু ব্যৱসায়িক কৰি তোলাই ইয়াৰ লক্ষ্য।
- তদুপৰি, অটল পেঞ্চন যোজনাৰ অধীনলৈ অনাৰ জৰিয়তে মই অসমীয়া চলচ্চিত্ৰ আৰু ভ্ৰাম্যমাণ থিয়েটাৰৰ লগত জড়িত শিল্পী আৰু কলা-কুশলীসকলক সাহায্য প্ৰদানৰ প্ৰস্তাৱ আগবঢ়ালো। আমাৰ চৰকাৰে ৫ বছৰৰ বাবে তেওঁলোকে পাবলগীয়া ধনৰ ৫০ শতাংশ আগবঢ়াব।

### ৫০ টা নতুন চলচ্চিত্ৰ গৃহলৈ অনুদান

- ৰাজ্যখনৰ বোলছবি উদ্যোগক উৎসাহিত কৰাৰ বাবে আমি বেচৰকাৰী সংগঠন/সাংস্কৃতিক সংগঠন/ব্যক্তিগত খণ্ডই প্ৰস্তাৱ দিয়া প্ৰতিটো নতুন চলচ্চিত্ৰ গৃহত ৫০ লাখ টকাৰ অংশীদাৰী মূলধন/অনুদান/নমনীয় ঋণ হিচাবে বিনিয়োগ কৰাৰ প্ৰস্তাৱ কৰিছো।
- চলচ্চিত্ৰ গৃহৰ স্থান চৰকাৰে নিৰ্ধাৰণ কৰিব।
- ইয়াৰ বাবে মই ২৫ কোটি টকাৰ প্ৰস্তাৱ কৰিছো।

### বিহু সমিতিসমূহলৈ উদ্‌গনি

- অধ্যক্ষ মহোদয়, বিগত বৰ্ষত আমাৰ চৰকাৰে ১০ বছৰতকৈও অধিক পুৰণি পঞ্জীয়নকৃত বিহু সমিতিসমূহলৈ ১.৫ লাখ টকাকৈ প্ৰদান কৰিছে। এই পদক্ষেপ অব্যাহত থাকিব আৰু ইয়াৰ বাবে মই ৩৪.৫ কোটি টকাৰ প্ৰস্তাৱ কৰিছো।
- ইয়াৰ উপৰি আমি নতুন দিল্লীত এক অভিলেখ সৃষ্টিকাৰী পৰ্যায়ৰ ব'হাগ বিহু উদ্‌যাপনৰ প্ৰস্তাৱ কৰিছো।

### যোৰহাট ছ্যু-কা-ফা সমন্বয় ক্ষেত্ৰলৈ অনুদান

- মহাশয় আহোম ৰাজত্বৰ প্ৰতিষ্ঠাতা চাওল্যুং ছ্যু-কা-ফাৰ প্ৰতি সন্মান জনাই আমাৰ চৰকাৰে যোৰহাটস্থিত ছ্যু-কা-ফা ক্ষেত্ৰক সাংস্কৃতিক আৰু ঐতিহাসিক ক্ষেত্ৰলৈ ৰূপান্তৰকৰণৰ বাবে প্ৰতিশ্ৰুতি অনুসাৰে পদক্ষেপ লৈছে।
- ছ্যু-কা-ফা সমন্বয় ক্ষেত্ৰৰ উন্নয়নৰ বাবে আগন্তুক তিনি বছৰৰ সময়ছোৱাত মই ১০০ কোটি টকাৰ অনুদানৰ প্ৰস্তাৱ কৰিছো।

### শ্বহীদ কনকলতা বৰুৱা সংগ্ৰহালয়

- শ্বহীদ কনকলতা বৰুৱাৰ মহান আত্মবলিদানৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰি আমি তেখেতৰ গৃহটো সংগ্ৰহালয়লৈ ৰূপান্তৰ কৰাৰ পৰিকল্পনা লৈছো।
- এই প্ৰকল্পৰ বাবে মই ৫ কোটি টকা ধাৰ্য কৰিছো।

### ভাওনা আৰু ৰাসলীলা

- মাননীয় অধ্যক্ষ মহোদয়, সাংস্কৃতিক আৰু ধৰ্মীয় ক্ষেত্ৰত যাউতিযুগীয়া ঐতিহ্য বহনেৰে ভাওনাই ৰাজ্যখনৰ পৰম্পৰাগত সাংস্কৃতিক ক্ষেত্ৰখনত এক গুৰুত্বপূৰ্ণ স্থান দখল কৰি আছে। হিন্দু পৌৰাণিক আখ্যানৰ বৰ্ণনাৰে সমৃদ্ধ ভাওনাত নাটক, নৃত্য আৰু সংগীতৰ উপাদানসমূহ সন্নিবিষ্ট হৈ আছে।
- এই পৌৰাণিক শিল্পকলাৰ প্ৰসাৰৰ বাবে মই প্ৰতিখন ভাওনা সমিতিলৈ ২৫,০০০ টকাৰ এককালীন অনুদান আগবঢ়োৱাৰ প্ৰস্তাৱ কৰিছো।
- ইয়াৰ উপৰি যিবোৰ ভাওনা সমিতিয়ে ৰাম বিজয় অংকীয়া নাট পৰিবেশন কৰিব তেওঁলোকক অতিৰিক্তভাৱে ৫,০০০ টকাকৈ দিয়াৰ মই প্ৰস্তাৱ কৰিছো। শ্ৰীৰামচন্দ্ৰক মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে পৰম ব্ৰহ্মাৰ পূৰ্ণ অৱতাৰ হিচাপে গ্ৰহণ কৰিছিল। এয়া এক তাৎপৰ্যপূৰ্ণ ঘটনা যে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে তেওঁৰ মহাপ্ৰয়াণৰ পূৰ্বে ৰাম বিজয় অংকীয়া নাটখন ৰচনা কৰিছিল।

### সত্ৰ সংৰক্ষণ

- ইয়াৰ উপৰি ৰাজ্য চৰকাৰে গুৰুত্বপূৰ্ণ সত্ৰসমূহক সহায় কৰি আহিছে।
- ২২.৫৩ কোটি টকাৰে শ্ৰীশ্ৰীবটদ্ৰৱা থানৰ আভ্যন্তৰীণ উন্নয়নমূলক কাম সম্পূৰ্ণ কৰা হৈছে।
- সাংস্কৃতিক আৰু পৰ্যটন কেন্দ্ৰ হিচাপে শ্ৰীশ্ৰীবটদ্ৰৱা থানৰ উন্নয়নৰ বাবে থানখনৰ চৌহদৰ পুনৰ উজ্জীৱিতকৰণৰ বাবে পদক্ষেপ লৈছো। প্ৰথম দুটা পৰ্যায়ৰ অধীনত লাভ কৰা অগ্ৰগতি তলত দিয়া ধৰণৰ—

| পৰ্যায় | ধন (কোটি টকাত) | অগ্ৰগতি |
| --- | --- | --- |
| প্ৰথম পৰ্যায় | ৫০ | ৮৮ শতাংশ |
| দ্বতীয় পৰ্যায় | ১১৪.২২ | ৬৮ শতাংশ |

- এই বছৰ আমি তৃতীয় পৰ্যায়ৰ অধীনত আনুমাণিক ৫৪ কোটি টকা ব্যয়ৰে সৌন্দৰ্যবৰ্ধনৰ কাম আৰম্ভ কৰিম।
- এনেদৰে বটদ্ৰৱা থানৰ বাহ্যিক আৰু আভ্যন্তৰীণ উন্নয়নৰ বাবে আবণ্টন দিয়া মুঠ পুঁজিৰ পৰিমাণ হৈছে ২৪০ কোটি টকা।
- বৰপেটা জিলাৰ পৱিত্ৰ পাটবাউসী হৈছে অসমৰ বৈষ্ণৱ পৰম্পৰাৰ অন্যতম পীঠস্থান। ই হৈছে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ, শ্ৰীশ্ৰীমাধৱদেৱ, শ্ৰীশ্ৰীদামোদৰদেৱ আৰু শ্ৰীশ্ৰীহৰিদেৱৰ মিলনভূমি। ইয়াতে মহাপুৰুষসকলৰ যুগজয়ী সৃষ্টিৰাজি আৰু আধ্যাত্মিক দৰ্শনে প্ৰাণ পাইছিল। ইয়াৰে শ্ৰীমন্ত শংকৰদেৱ থান আৰু শ্ৰীশ্ৰীদামোদৰদেৱৰ শ্ৰীশ্ৰীপাটবাউসী সত্ৰই আজিকোপতি সেই মহান বৈষ্ণৱী পৰম্পৰাক বলিষ্ঠ ৰূপত বৰ্তাই ৰাখিছে। সেয়েহে শ্ৰীশ্ৰীপাটবাউসী সত্ৰৰ উন্নয়ন আৰু সংবৰ্দ্ধনৰ বাবে প্ৰথম পৰ্যায়ত ১৫ কোটি টকা ধাৰ্য কৰা হৈছে।
- তদুপৰি তিতাবৰস্থিত শ্ৰীশ্ৰীকমলাবাৰী সত্ৰৰ সংৰক্ষণৰ বাবে ৫ কোটি টকা আৰু ওদালগুৰি জিলাৰ বৰঙাজুলিস্থিত শ্ৰীমন্ত শংকৰদেৱ সত্ৰৰ বাবে ২ কোটি টকাৰ আবণ্টন দিয়াৰ মই প্ৰস্তাৱ আগবঢ়াইছো।

### তাৱালাংছ' মহোৎসৱ

- আমি গৌৰৱ অনুভৱ কৰো যে আমাৰ চুবুৰীয়া ৰাজ্য নাগালেণ্ডে ব্যাপক উৎসাহেৰে হৰ্ণবিল মহোৎসৱৰ আয়োজন কৰি আহিছে আৰু ই ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত জনপ্ৰিয় হৈ উঠিছে। তেওঁলোকৰ পৰা অনুপ্ৰাণিত হৈ আমি কাৰ্বি আংলঙৰ তাৱালাংছ' মহোৎসৱক সকলো স্থানৰ পৰ্যটকক আকৰ্ষণ কৰিব পৰাকৈ গঢ়ি তুলিব বিচাৰিছো।
- বিশ্ব মানচিত্ৰত স্থান পাব পৰাকৈ এই মহোৎসৱ উদযাপনৰ বাবে মই ৩ কোটি টকা ধাৰ্য কৰিছো।
- একেদৰে অসমৰ সকলো খিলঞ্জীয়া জনজাতিৰ সংস্কৃতিৰ বিকাশৰ বাবে আমাৰ চৰকাৰ অতিশয় আগ্ৰহী।

## XIV. পুণ্য তীৰ্থ যোজনা ঃ অযোধ্যালৈ তীৰ্থযাত্ৰা

- মহাশয়, চলিত 'পুণ্যধাম' আঁচনিৰ অধীনত তীৰ্থযাত্ৰীসকলক পুৰী, বৃন্দাবন আৰু বাৰাণসী আদি পৱিত্ৰ স্থানসমূহ দৰ্শনৰ সুবিধা প্ৰদান কৰা হয়। এই আঁচনিখন আমি এই বৰ্ষতো অব্যাহত ৰাখিম।
- ইয়াৰ উপৰি এই বৰ্ষত মই 'পুণ্য তীৰ্থ যোজনা' ঘোষণা কৰিছো আৰু ইয়াৰ অধীনত ২৫ কোটি টকা বাজেট ব্যৱস্থাপনাৰে ২৫,০০০ গৰাকী তীৰ্থযাত্ৰীক অযোধ্যাৰ ৰাম মন্দিৰলৈ তীৰ্থযাত্ৰা কৰাৰ সুবিধা আগবঢ়োৱা হ'ব।

## XV. শিশুৰ উজ্জ্বল ভৱিষ্যতৰ বাবে

- মহাশয়, আমাৰ চৰকাৰে ইতিমধ্যে প্ৰায় ৫,০০০ টা আদৰ্শ অংগনৱাড়ী কেন্দ্ৰ নিৰ্মাণ কৰিছে।
- এই বৰ্ষত আমি ১,২৫০ কোটি টকা ব্যয়ৰে আন ৫,০০০ টা আদৰ্শ অংগনৱাড়ী কেন্দ্ৰ নিৰ্মাণ কৰাৰ কাম হাতত ল'ম।
- ইয়াৰ ফলস্বৰূপে ৰাজ্যখনত ১০,০০০টা আদৰ্শ অংগনৱাড়ী কেন্দ্ৰ নিৰ্মাণৰ আমাৰ প্ৰতিশ্ৰুতি বাস্তৱত ৰূপায়িত হ'ব।
- অধ্যক্ষ মহোদয়, অসমৰ বৰ্তমানৰ বিদ্যালয়সমূহৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে লোৱা পদক্ষেপৰ অংশ হিচাপে আমাৰ চৰকাৰে ২,৩৬৯.৮৬ কোটি টকা ব্যয়ৰে ৰাজ্যৰ ৩২২ খন বিদ্যালয় ৰূপান্তৰ কৰিব। বিদ্যালয়ৰ তালিকা **পৰিশিষ্ট-ঘ**ত উল্লেখ কৰা হ'ল।
- বৰ্তমানে ১১৮ খন চাহ বাগিচা আদৰ্শ বিদ্যালয় কাৰ্যক্ষম হৈ আছে আৰু চাহ বাগিচা অঞ্চলত আমি আন ১০০ খন নতুন আদৰ্শ বিদ্যালয় স্থাপন কৰিম।
- ডিব্ৰুগড় বিশ্ববিদ্যালয় আৰু অন্যান্য শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে ৫০ শতাংশ পাঠ্যক্ৰম মাচুল জলপানি হিচাপে আগবঢ়াই আমাৰ চৰকাৰে Self financing scheme ৰ অধীনত ছাত্ৰ-ছাত্ৰীসকললৈ সহায়ৰ হাত আগবঢ়োৱাৰ মনস্থ কৰিছে।
- অহা তিনি বছৰৰ সময়ছোৱাত ডিব্ৰুগড় বিশ্ববিদ্যালয়ক অত্যাধুনিক বিশ্ববিদ্যালয়লৈ ৰূপান্তৰিত কৰাৰ বাবে ১০০ কোটি টকা পুঁজিৰ অনুদান আগবঢ়োৱা হ'ব।
- ইয়াৰ উপৰি মই এই কথা ঘোষণা কৰিবলৈ পাই সুখী হৈছো যে কৃষ্ণকান্ত সন্দিকৈ মুক্ত বিশ্ববিদ্যালয়লৈ ২০ কোটি টকা পুঁজিৰ অনুদান আগবঢ়োৱা হ'ব।

## XVI. ১২৬ টা বিধানসভা সমষ্টিত খেল মহাৰণ আৰু যুৱ সংঘ

- অধ্যক্ষ মহোদয়, মই এই পৱিত্ৰ সদনক জনাবলৈ পাই অতিশয় আনন্দ অনুভৱ কৰিছো যে মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ সবল নেতৃত্বত খেল মহাৰণৰ জৰিয়তে উদীয়মান খেলুৱৈসকলক সৰ্বতোপ্ৰকাৰে উৎসাহ যোগোৱাৰ বাবে ক্ৰীড়াক তৃণমূল পৰ্যায়লৈ লৈ যোৱা হৈছে। ভাৰতৰ মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়ায়ো এই প্ৰচেষ্টাৰ শলাগ লৈছে।
- বিভিন্ন ক্ৰীড়া প্ৰতিযোগিতা অনুষ্ঠিত কৰিবলৈ এক সুসংগঠিত ব্যৱস্থা নিশ্চিত কৰাৰ লগতে খেল মহাৰণ জন ভাগিদাৰী আন্দোলনক আগুৱাই লৈ যোৱাৰ উদ্দেশ্যে আমি প্ৰতিটো বিধানসভা সমষ্টিতে এটাকৈ যুৱ সংঘ স্থাপনৰো প্ৰস্তাৱ লৈছো।
- ১২৬ টা বিধানসভা সমষ্টিৰ প্ৰতিটো যুৱ সংঘৰ সৰু-সুৰা মেৰামতি আৰু খেলৰ সামগ্ৰীৰ ভঁৰালৰ বাবে মই এই বৰ্ষত ১৫ লাখকৈ টকা আবণ্টন দিয়াৰ প্ৰস্তাৱ আগবঢ়ালো।
- ক্ৰীড়া প্ৰতিভাক উৎসাহ যোগোৱাৰ উদ্দেশ্যে ২৮.৩০ কোটি টকা ব্যয়েৰে কোকৰাঝাৰত এটা নতুন উচ্চ কাৰ্যক্ষম ক্ৰীড়া কেন্দ্ৰ স্থাপন কৰাৰ প্ৰস্তাৱ আগবঢ়াইছো। যোৰহাট আৰু গুৱাহাটীৰ পিছত এয়া ৰাজ্যখনৰ বাবে এনেকুৱা তৃতীয়টো প্ৰতিষ্ঠান হ'ব।
- ইয়াৰ উপৰি ৰাজ্যখনত বিশ্বমানৰ ক্ৰীড়া আন্তঃগাঁথনি নিৰ্মাণৰ বাবে আমি নিম্নোলিখিত ষ্টেডিয়ামসমূহ নিৰ্মাণৰ পদক্ষেপ হাতত লৈছো।
  - মুঠ ৩০০ কোটি টকা ব্যয়ৰে গুৱাহাটীত চন্দ্ৰপুৰ ষ্টেডিয়াম।
  - মুঠ ৪০১ কোটি টকা ব্যয়ৰে ডিব্ৰুগড় জিলাৰ খনিকৰ ষ্টেডিয়ামক ৫০০০ পৰা ১৫,০০০ আসনযুক্ত ষ্টেডিয়াম হিচাপে উন্নীতকৰণ।

## XVII. ২০২৪ বৰ্ষৰ নৱেম্বৰত বিনিয়োগকাৰীৰ সন্মিলন

- বিকশিত ভাৰত @২০৪৭, আত্মনিৰ্ভৰ ভাৰত আৰু মেক্ ইন্ ইণ্ডিয়াকে ধৰি ভাৰত চৰকাৰৰ বিভিন্ন লক্ষ্যৰ লগত সংগতি ৰাখি অসমেও ৰাজ্যখনলৈ বিনিয়োগ আকৰ্ষণৰ বাবে সক্ৰিয়ভাৱে প্ৰচেষ্টা চলাই আহিছে।
- ৰাজ্য চৰকাৰে জি-২০ সম্পৰ্কীয় ৫টা অনুষ্ঠান সফলতাৰে আয়োজন কৰিছে আৰু মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াৰ পৰামৰ্শ অনুসৰি 'বসুধৈৱ কুটুম্বকম ঃ বাণিজ্যৰ দ্বাৰা একত্ৰিত বিশ্ব' নীতি আঁকোৱালি লোৱাৰ লগতে ভাৰতে জি-২০ সন্মিলন সফলভাৱে আয়োজন কৰাৰ ফলত দেশখনৰ প্ৰতি বিশ্বজুৰি যি সদিচ্ছাৰ সৃষ্টি হৈছে তাৰ দ্বাৰা ৰাজ্যখনো লাভান্বিত হ'ব বুলি আশা কৰা হৈছে।
